চান্দমামা

ছেপটেমবাৰ ১৯৮৬

“অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!”

-ফেভিফেইৰী



লৰা-লৰিকৈ কিবা গড়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
একজনা ভাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বহু কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰয়' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

গোলাপ ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথাৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

গোলাপ ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথাৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ____________________

বয়স: ____________________

ঠিকনা: ____________________

____

চহৰ: ____________________

ৰাজ্য: ____________ পিন: ____________

তোমাৰ মাহেকীয়া জাৰ্নেল ফেভিক্ৰাফট পালানে? হয়/নহয়

এম-আৰ

ফেভিকল

চিন্থেটিক এধেচিভ

OBM-7954 ASM

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

® দুয়ো আৰু ফেভিকল দাও হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

"এৰা, মই জানো আপদীয়া
এই দাঁতৰ ৰাক্ষসবোৰে মোৰ দাঁতত
ছিদ্ৰ কৰিব পাৰে।
কাৰণ মোৰ মা'ই মোক বুজাই
কৈছিল যে আচলতে সেইবোৰেই হ'ল
জীৱাণু '(বেক্টেৰিয়া)' যি খাদ্যকণিকাৰ
সৈতে মিলি গৈ এক জাতীয় 'এচিদ
তৈয়াৰ কৰে' আৰু পাছত ই দাঁতৰ
এনামেলক আক্ৰমণ কৰি দাঁতত
'ছিদ্ৰৰ' সৃষ্টি কৰে।
পিছে মই জানো যে মোৰ সেই ভয় নাই।
কাৰণ মোৰ দাঁতক সুৰক্ষিত ৰাখিছে
ফৰহেন্স ফ্লোৰাইদ'এ
ইয়েই মোৰ দন্তছিদ্ৰৰ সৈতে হোৱা
সংগ্ৰামত মোক সদায় বিজয়ী কৰে!
চুপাৰ ফাইটাৰ
FOAMING
Forhan's
FLUORIDE
The toothpaste that fightens gums, fights cavities
মোৰ চুপাৰ ফাইটাৰত থকা ফ্লোৰাইদে মোৰ
'দাঁতৰ এনামেলক' সুদৃঢ় কৰি তোলে আৰু যন্ত্ৰণাদায়ক
দন্তছিদ্ৰৰ পৰা মোক মুক্তকৈ ৰাখে।
মোৰ মা'যে ইমান ভাল, তেওঁৰ কাৰণেইতো মই
মোৰ সোৱাদ ভৰা, ফেনা ভৰা
চুপাৰফাইটাৰ সম্পৰ্কে জানিব পাৰিলো!"
এটি আকৰ্ষণীয় নতুন পেকত
FOAMING
Forhan's
FLUORIDE
ফৰহেন্স ফ্লোৰাইদ
দন্তছিদ্ৰ প্ৰতিৰোধকাৰী চুপাৰফাইটাৰ
429-GM-203 ASAM

চান্দমামা

ছেপ্‌টেম্বাৰ ১৯৮৬

এই সংখ্যাত আছে

কচ	:	১০
হৃদয়ৰ কথা	:	১১
নোকোৰাই ভাল	:	১৬
জ্বালা দ্বীপ	:	১৯
পৰশপাথৰ	:	২৭
দ্বিতীয় প্ৰাৰ্থী	:	৩৪
আমাৰ দ'ল-দেৱালয়	:	৩৫
জানন্তা মামা	:	৩৯
শিৰলীলা	:	৪৩
বোকা ভাওনা	:	৫১
শিলৰ দাগ	:	৫৫
আলাভুলা কথা-কাণ্ড	:	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ সম্বাদ-বি-সম্বাদ, তৃতীয় চিন্তা, আমাৰ পশু-পক্ষী ইত্যাদি।

চাৰ্ফ কিনাটো আৰু বেছি বুদ্ধিমানৰ কাম!
"বিশ্বাস কৰক, সঁচাকৈ চাৰ্ফ কিনাৰ দৰে বুদ্ধিমানৰ কাম আন একো নাই। ইয়াৰ পাৱাৰ পেকড ফৰ্মুলেশ্যনে আপোনাৰ ধনৰ উচিৎ মূল্য দিয়ে।"
উচিৎ মূল্য দিয়ে? অথচ মাইকৈ চাৰ্ফৰ দামেইতো ভালেখিনি বেছি?
"বোলো ডাঙৰীয়া, আপুনি দেখা নাইনে ইয়াৰ পৰা আপুনি কিমান বেছি লাভবান হব পাৰে? একমাত্ৰ চাৰ্ফে সবাতোকৈ বগাকৈ ধোৱে আৰু কাপোৰ বাপেও নিৰাপদে। আৰু সেয়ে কাপোৰ দেখাত সদায় নতুন যেন লাগে। তাৰ ফলত আপোনাৰ বাহিও হয় ভালেখিনি আৰু ধনৰ উচিৎ মূল্য দিয়ে বুলি কওতে মই ইয়াৰ কথাকে বুজাইছো।"
মানি ললো ললিতা আইদেউ, কিন্তু সেয়াই আনো যথেষ্ট?
"আৰু আছে! প্ৰতি ১/২ কিলো চাৰ্ফ পাউদাৰ অন্যান্য সাধাৰণ পাউদাৰৰ ১ কিলোৰ সমান। তাৰ অৰ্থ, অন্যান্য সাধাৰণ ১ কিলো পাউদাৰে যিমানখিনি কাপোৰ ধুব, ইয়াৰ আধা কিলোৰেই সেইখিনি ধুব পাৰি। গতিকে চাৰ্ফৰ পৰা কিমান যে বেছি লাভ, সেয়াতো আপুনি দেখিলেই।"
১ কিলো সাধাৰণ পাউদাৰ
১/২ কিলো চাৰ্ফ
ইয়াৰ মানে হ'ল চাৰ্ফ'এ নিজস্ব উপায়ে আপোনাৰ ধন উঠাই দিয়ে...
"...আৰু আপুনি লাভবান হয় নানান ফালৰ পৰা। এবিধ সাধাৰণ পাউদাৰ কিনা আৰু এবিধ উচ্চ গুণৰ পাউদাৰ কিনাৰ মাজত পাৰ্থক্য বহুত। সেয়েতো মই কও, চাৰ্ফ কিনাটো সদায়েই বুদ্ধিমানৰ কাম।"
POWER PACKED
Surf
...hes whitest...
keep...lothes fi...



Wonder what her smile meant.
I'd walked up to her
and offered my pack
of fresh mint
bubble gum.
She popped
one in.
And she smiled .....

Was it my charm, or was it my bubble gum?

NP Fixy Foxy
Spearmint Bubble Gum

Dattaram NP 2E/86

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

‘জ্বালা দ্বীপ’-সম্পর্কে মতামত লিখি পঠোৱা পাঠক-পাঠিকা-সকললৈ আমাৰ আন্তৰিক অভিনন্দন! কেৱল মতামতেই নহয়, ‘চান্দমামা’ৰ উৎকর্ষতা বৃদ্ধিৰ বাবে পাঠক-পাঠিকাসকলৰ উপদেশ-নির্দেশো আমাৰ কাম্য তথা অতি গুৰুত্বপূর্ণ। ‘চান্দমামা’ৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে আমি পাঠক-পাঠিকাসকলক মতামত, উপদেশ, নির্দেশ দিবলৈ সাদৰ আহ্বান জনাইছোঁ।

অমৰ-বাণী

শনৈঃ পন্থাঃ শনৈঃ কন্থাঃ শনৈঃ পর্ব্বত লংঘনম্।
শনৈর্বিদ্যা শনৈর্বিত্তম্ পঞ্চৈতা নিশনৈঃ শনৈঃ ॥

[খোজ ল’লেই বাট চমু হয়, কঁথাত এটাকৈ ফোৰ মাৰিলে চিলাইৰ কাম আগবাঢ়ে, পর্বত-আৰোহণৰ ক্ষেত্ৰত এখোজ এখোজকৈ ওপৰলৈ উঠিব লাগে ; ঠিক তেনেদৰেই বিদ্যা আৰু সম্পদ তেনেই অলপ অলপকৈ সঞ্চয় কৰিব লাগে।]

বছৰ : ১১ ছেপ্টেম্বাৰ ১৯৮৬ **সংখ্যা : ৬**

খনে : ২'৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

A CHANDAMAMA PUBLICATION

CHITRA

Trikaya-E-3-86-ASM

মনটোযে বেয়া বাবলুৰ আমাৰ
খেলা-ধুলা নহলে নচলে তাৰ
ৰোগৰ চিকাৰ হয়যে সি
সধীহঁত নাহে ওচৰ চাপি !

এনে সময়ত এক' কামলৈ আহে
লগে লগে সি আঁকাত লাগে
১২ বিধ ৰঙত আঁকে ভাটৌ, বান্দৰ,
বাবলু আনন্দিত হয় তাকে দেখি !

হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!

এক'
স্কেচ পেন ৰঙৰ মজা ! আঁকা-আঁকিৰ ৰজা !
প্ৰচিশান ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোদ, ভিলে পাৰ্লে (পূব) বোম্বাই-৪০০ ০৫৭ ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.

চান্দমামাৰ সম্বাদ-বি-সম্বাদ



মহোঁহো

সদ্যহতে মণ্ট্ৰিয়েলত এক নতুন ধৰণৰ যন্ত্ৰ আৱিষ্কৃত হৈছে। এই যন্ত্ৰৰ এটা সুইচ্চ্ টিপিলেই গীতৰ তা-না-না আৰম্ভ হৈ যায়। পিছে—এই গীত মানুহে শুনিবলৈ নাপায়; কিন্তু মহবিলাকে দূৰৰপৰা এই গীত শুনিয়েই পলাই ফাট মাৰে।

বিশ্ব-বৃদ্ধা

জাপানৰ ১২০ বছৰীয়া এগৰাকী বৃদ্ধৰ মৃত্যুৰ পাছত বৰ্তমানে ইংল্যাণ্ডৰ ১১২ বছৰীয়া এগৰাকী বৃদ্ধা হ'ল বিশ্বৰ সবাতোকৈ বয়সিয়াল মানুহ।

গ্ৰন্থৰ গ্ৰন্থি

এই যুগত টেলিভিছনৰ যোগে পঢ়ন-লিখন শিকোৱা হৈছে। কিন্তু এই উপায়তকৈ কিতাপেই হেনো ভাল। কিয়নো, কিতাপত পঢ়া বিষয়বস্তু ঢেৰ অধিক কাল মনত থাকে। সাম্প্ৰতিক এক সমীক্ষাত এই কথা প্ৰমাণিত হৈছে।

ফল-সন্ধানী বন্দুক

বাকচৰ ভিতৰত বা আন কোনো উপায়ে আনে নেদেখাকৈ নিষিদ্ধ ফল-মূল লৈ যোৱাহঁতৰ ফল-মূলৰ সন্ধান দিবপৰা বন্দুক সম্প্ৰতি আমেৰিকাত আৱিষ্কৃত হৈছে।



কচ

দেৱতা আৰু দানৱসকলৰ মাজত বহুকাল ধৰি যুদ্ধ চলি থাকিল। বহু সংখ্যক দানৱৰ মৃত্যু হ'ল, আৰু তেওঁলোকৰ গুৰু শুক্ৰাচাৰ্য্যই সঞ্জীৱনী মন্ত্ৰেৰে সেই মৃত দানৱসকলক পুনৰ্জীৱিত কৰিলে। তাৰ ফলত দানৱসকলক পৰাজিত কৰাটো দেৱতাসকলৰ পক্ষে অসম্ভৱ হৈ উঠিল। তেতিয়া মৃতসঞ্জীৱনী মন্ত্ৰ শিকি আহিবলৈ দেৱতাসকলে বৃহস্পতিৰ পুত্ৰ কচক শুক্ৰাচাৰ্য্যৰ ওচৰলৈ প্ৰেৰণ কৰিলে। দিনে-নিশাই শুক্ৰাচাৰ্য্যৰ সেৱা-যত্ন কৰি কচে শুক্ৰাচাৰ্যৰ তুষ্টিবিধান কৰিলে। ইপিনে শুক্ৰাচাৰ্য্যৰ কন্যা দেৱযানী কচৰ প্ৰতি আকৃষ্ট হ'ল। কচ যে কি উদ্দেশ্য মনত লৈ ইয়ালৈ আহিছিল, শুক্ৰাচাৰ্য্য আৰু দেৱযানীয়েও গম পাইছিল। তেওঁলোকে কচক এই মন্ত্ৰ শিকাৰপৰা নিৰস্ত হ'বলৈ ক'ব বুলি গুণা-গঁথা কৰি থাকোঁতে কচক দানৱসকলে হত্যা কৰিলে। কিন্তু শুক্ৰাচাৰ্য্যই কচক সঞ্জীৱনী মন্ত্ৰেৰে পুনৰ্জীৱিত কৰি তুলিলে।

তেতিয়া দানৱসকলে কচক হত্যা কৰিবলৈ পুনৰ চেষ্টা দিলে। এদিন ছেগ পাই, কচক হত্যা কৰি, দানৱসকলে কচৰ দেহ ভস্ম কৰি পানীয়ৰ লগত মিহলাই শুক্ৰাচাৰ্য্যক খাবলৈ দিলে।

দানৱসকলে যে কেনে ধৰণৰ অসৎকৰ্ম কৰিছে—সেই কথা অনুধাৱন কৰি, তেওঁৰ পেটৰ ভিতৰত অৱস্থিত কচক শুক্ৰাচাৰ্য্যই সঞ্জীৱনী মন্ত্ৰ শিকাই দিলে। এই মন্ত্ৰৰ বলতে শুক্ৰাচাৰ্য্যৰ পেট ফালি কচ ওলাই আহিল আৰু তাৰ ফলত শুক্ৰাচাৰ্য্যৰ মৃত্যু হল। তেতিয়া কচে সঞ্জীৱনী মন্ত্ৰৰ বলত শুক্ৰাচাৰ্য্যক পুনৰ্জীৱিত কৰি তুলিলে। উদ্দেশ্য সফল হোৱাত কচে শুক্ৰাচাৰ্য্যৰপৰা বিদায় লৈ ঘৰলৈ যোৱাৰ কথা কোৱাত, দেৱযানীয়ে কচক বিবাহ কৰাব বুলি ক'লে।

কচে দেৱযানীক ক'লে, "দেৱযানী, তুমি মোৰ গুৰুৰ কন্যা। মই গুৰুৰ পেট ফালি ওলোৱা শিষ্য। সেয়েহে, তুমি হ'লা মোৰ ভনীৰ সমান। তোমাক বিবাহ কৰালে অধৰ্ম হ'ব।"

দেৱযানীয়ে কচক অভিশাপ দি ক'লে, "সঞ্জীৱনী মন্ত্ৰ তোমাৰ ক্ষেত্ৰত কাৰ্য্যকৰী নহ'ব।"

"মোৰ ক্ষেত্ৰত নহওক নাই, মোৰ কথা মতে চলাসকলৰ ক্ষেত্ৰত কাৰ্য্যকৰী হ'লেই হ'ল।" এই বুলি কৈ, গুৰু শুক্ৰাচাৰ্য্য আৰু গুৰুকন্যাৰপৰা বিদায় লৈ কচ পুনৰ দেৱলোকলৈ গুচি গ'ল।

হৃদয়ৰ কথা

গৰমপুৰ গাঁৱৰ কাষেদি এখন নৈ বৈ গৈছিল। এই নৈৰ পাৰত প্ৰতি বছৰতে ভালেকেইদিনমান ধৰি উছৱ চলিছিল, এয়ে আছিল গৰমপুৰীয়া ৰাইজৰ ডাঙৰ উছৱ। একেৰাহে আঠ-দহ দিন ধৰি গৰমপুৰে আনন্দৰ জোৱাৰত গা উটুৱাই দিছিল। এবাৰ উছৱৰ প্ৰথমদিনাই এই গাঁৱৰ হালোৱা দশৰথ ফুটফুটীয়া ছোৱালী এজনীৰ পিতৃ হ'ল, আৰু ছোৱালীজনীৰ নাম দিলে—সুমতি।

তাৰ পাছত আঠ-নও বছৰ বাগৰি গ'ল। এদিন ঘৰৰপৰা ওলাওঁতে দশৰথৰ ঘৈণীয়েকে দশৰথক ক'লে, "গধূলিৰ আগে আগে ঘৰলৈ ঘূৰিবা কিন্তু। সুমতিৰ চোলাটো দৰ্জিৰপৰা লৈ আহিব লাগিব। সেই চোলা পিন্ধাই, তাইক লগত লৈ মই মন্দিৰলৈ আৰতি চাবলৈ ওলাম।"

গধূলিৰ আগে আগে ঘৰলৈ ঘূৰি দশৰথ দৰ্জিৰ ওচৰলৈ গ'ল। সুমতিৰ চোলা চিলাওঁতে তেতিয়াও অলপ বাকী আছিল। বাধ্যত পৰি তাত ৰৈ থাকিল দশৰথ, আৰু চোলাৰে সৈতে ঘৰ পাওঁতে ভালেখিনি ৰাতি হ'ল।

ঘৰ পায়েই দশৰথে লক্ষ্য কৰিলে যে সিহঁতৰ ঘৰৰ পিছ দুৱাৰেদি এজন এজন যুৱক ওলাই গৈ আছে। এই যুৱকক দশৰথে কোনোদিনে দেখা নাছিল। যুৱকেও দশৰথক দেখা পাই ভয় খোৱাৰ ভাও জুৰিলে। দশৰথে তাক চোৰ বুলি ভাবি লৈ গৰা মাৰি ধৰিলেগৈ। দশৰথে তাক ডাবি মাৰি ক'লে, "তুমি কোন? আমাৰ ঘৰত সোমাইছিলাহি

'নৱকুমাৰ'

কিয়? কি কি চুৰ কৰিলা চাওঁ?"

এইবোৰ প্ৰশ্নৰ উত্তৰত যুৱকে একো নোকোৱাকৈ থাকিল। ভয়তে তাৰ ভবৰি উঠিল, মুখৰ মাত হৰিল। দশৰথে তাক এমাৰ-দুমাৰ মাৰি ক'লে, "ক, ক, চুৰ কৰা বস্তুখিনি ক'ত থৈছ কৈ দে, নহ'লে তোক মাৰি ভৈয়াম কৰিম।" দশৰথৰ চুবুৰীয়াহঁতো লৰি আহিল।

ভিৰ ফালি ওলাই আহি এজন চুবুৰীয়াই সেই যুৱকজনক ক'লে, "হেৰাহে, এনে ডেকা বয়সত বামত নধৰি চুৰিত ধৰিলানো কেলেই?"

দশৰথে যুৱকৰ জেপত হাত ভৰাই অলপ খুচুৰা পইচাৰ বাহিৰে একো নাপালে। তেতিয়া যুৱকে হাতযোৰ কৰি ক'লে, "বিশ্বাস কৰক, মই চোৰ নহওঁ।"

ভিৰৰ মাজৰপৰা এজনে কৈ উঠিল, "তেনেহ'লে এওঁলোকৰ ঘৰত সোমাই-ছিলাহি কিয়? শুদা মুখত মাথি নপৰে নহয়? কিনো মদাৰ গছৰ পাণ পাৰিবলৈ ওলাইছিলাহি ইয়ালৈ?" এই বুলি কৈয়েই সেই মানুহজনে আৰু লগে লগে আন কেইবাজনো আগুৱাই আহিল যুৱকক পটা-পিহা দিবলৈ।

যুৱকে আৰ্তনাদ কৰি কৈ উঠিল, "চাওক, মোক কিবা কৰাৰ আগতে এওঁলোকৰ নাৰায়ণ থকা কোঠাত নাৰায়ণৰ বিগ্ৰহৰ সমুখত যে ৰঙা কাপোৰেৰে



মেৰিউৰা টোপোলাটো আছে, সেই টোপোলাটো খুলি চাওকগৈ।"

সুমতিয়ে খৰধৰকৈ টোপোলাটো লৈ আহিলগৈ। তেতিয়া যুৱকে বুকুত বল পাই ক'লে, "মই এই টোপোলাটো এওঁলোকৰ ঘৰত থৈছিলোঁগৈ। কিয় টোপোলাটো তাত থৈ দিছিলোঁ—সেই কথা যদি আপোনালোকে শুনিব খোজে মই ক'ম।"

ৰাইজে শুনিবলৈ খোজাত 'যুৱকে যি ক'লে, তাৰ সাৰমৰ্ম হ'ল ঃ

বাৰ বছৰৰ আগত এই যুৱক টান বেমাৰত পৰিছিল। চুবুৰীয়াহঁতে যুৱকৰ দেউতাকক ক'লে নগৰলৈ গৈ ভাল চিকিৎসকক দেখুৱাবলৈ। কিন্তু তাৰ দেউতাকৰ হাতত তেতিয়া সিমান পইচা ক'ত? চুবুৰীয়া গাঁওখনত তাৰ দেউতাকৰ এগৰাকী বন্ধু আছিল। তেওঁৰপৰা সহায়-সাৰথি পাব বুলি ভাবিছিল তেওঁ। কিন্তু যেতিয়া বন্ধুজনৰ ঘৰলৈ গ'ল, বন্ধুজন গৰমপুৰ গাঁৱৰ বছৰেকীয়া উছৱ চাবলৈ ওলাই গৈছিল। তেতিয়া তেওঁ গৰমপুৰলৈ আহিল। কিন্তু বহু সময় ধৰি বিচাৰিও দেউতাকে সেই বন্ধুজনক তাত নাপালে।

ইপিনে—তেওঁৰ বৰ পিয়াহ লাগিছিল। তেওঁ এটা ঘৰৰ দুৱাৰত টুকুৰিয়ালে। ঘৰৰপৰা এগৰাকী মহিলা ওলাই আহিল, তেওঁক পানী খাবলৈ দিলে, আৰু পুনৰ



ঘৰৰ দুৱাৰ মাৰিৰি দিলে। তেওঁ পুনৰ গৈ থাকিল। হঠাৎ বাটৰ একাষত যুৱকৰ দেউতাকে এটা আঙঠি পৰি থকা দেখা পাই আঙঠিটো বুটলি ল'লে। আঙঠিটো সেইগৰাকী গৃহস্থনীক দিব বুলি ভাবিলে যুৱকৰ দেউতাকে। কিন্তু পাছমুহূৰ্তত তেওঁৰ মনত পৰিল নিজৰ অসুখীয়া ল'ৰাটিৰ কথা। তেওঁ ভাবিলেঃ এই আঙঠিটো বেচিলে ভালেখিনি ধন পাম। সেই ধনেৰে ল'ৰাটোক ভালকৈ চিকিৎসা কৰাব পাৰিম। এই কথা ভাবি, আঙঠিটো লৈ, তেওঁ ঘৰলৈ উভতি আহিল।

তাৰ পাছত আঙঠিটো বেচিলে, আৰু সেই আঙঠি বেচা ধনেৰে চিকিৎসা কৰাই অসুস্থ ল'ৰাটোক ভাল কৰি তুলিলে।

ইমানখিনিলৈকে কোৱাৰ অন্তত যুৱকে ক'লে, "চাওক, মই অসুস্থতাৰপৰা ভাল হৈ উঠাৰ পাছত আপোনালোকৰ ঋণ পৰিশোধ কৰিবলৈ দেউতাই বহু চেষ্টা কৰিছিল। কিন্তু বিভিন্ন কাৰণত দেউতাই আপোনালোকৰ ঋণ পৰিশোধ কৰিব পৰা নাছিল। দেউতা এমাহৰ আগতে ঢুকাল। মৃত্যুৰ আগে আগে তেওঁ মোৰ হাতত আঠশ ৰূপৰ মুদ্ৰা দি মোক কৈছিল যে মই আৰু দুশ ৰূপৰ মুদ্ৰা যোগাৰ কৰি যাতে আপোনালোকক এহেজাৰ মুদ্ৰা দিওঁ। কিন্তু কি বুলি যে আপোনালোকক মুদ্ৰাখিনি দিম, মই ভাবি উলিয়াব নোৱাৰি, পিছ দুৱাৰেদি ঘৰলৈ সোমাই, মুদ্ৰাখিনি নাৰায়ণ বিগ্ৰহৰ আগত থৈ ওলাই আহিলোঁ। এই মুদ্ৰাখিনি অনুগ্ৰহ কৰি গ্ৰহণ কৰক।" এই বুলি কৈ যুৱকে হাতযোৰ কৰি দশৰথক নমস্কাৰ কৰিলে।

তাত গোট খাই থকা সমূহ ৰাইজ যুৱকৰ সততা তথা নিষ্ঠা দেখি তব্ধ মানিলে।

তেতিয়া দুই-চাৰিয়ে মন্তব্য কৰিলে যে ভালকৈ নুসুধি-নুপুছি, নাজানি-নগমি যুৱকক দবা-পিটা দিয়াটো অনুচিত হৈছে।

তাৰ পাছত যুৱক গুচি গ'ল। আৰু তেতিয়া দশৰথে মুদ্ৰাৰ টোপোলাটো হাতত লৈ জীয়েক সুমতিক ক'লে, "সুমতি, এই মুদ্ৰাখিনিৰে তোমাৰ বাবে বাখৰ খটোৱা সোণৰ হাৰ কিনি আনিম।"

দশৰথৰ ঘৈণীয়েকে এই কথা শুনি ক'লে, "তুমি বাৰু বলিয়া হ'লানেকি? ইমানখিনি মুদ্ৰা এইদৰে খৰচ কৰি কি হ'ব? বৰঞ্চ সাঁচি থ'লে বিপদে-বিঘিনিয়ে কাম দিব।"

সুমতিয়ে মুদ্ৰাৰ টোপোলাটোত কোবা-মুঠীয়াকৈ ধৰি তাইৰ দেউতাকক সুধিলে, "দেউতা, মোৰ বয়স কিমান হ'ল?

"তুমি ঠিক দহ বছৰত ভৰি দিলা, আই।" দেউতাকে ক'লে।

"তাৰ মানে—এই মুদ্ৰাখিনি বাৰ বছৰৰ আগৰ ঋণৰ মুদ্ৰা। তাৰ মানে—আমাৰ এই ঘৰটো কিনাৰ এবছৰৰ পাছতেহে হেনো মোৰ জন্ম হৈছিল। তেনেহ'লে—তোমালোকে দহ বছৰৰ আগতহে এই ঘৰটো কিনিছিলা। যদি সেয়ে হয়, বাৰ বছৰৰ আগৰ যিকোনো ঘটনাৰ বাবে দায়ী হ'ল মোৰ ককা। ককা এতিয়া বৰ কষ্টত পৰিল। মই এই মুদ্ৰাখিনি ককাক দিম।" এই বুলি কৈয়েই সুমতিয়ে মুদ্ৰাৰ টোপোলাটো লৈ খোজ লোৱাৰ লগে লগে দশৰথে ক'লে, "এইখিনি কালিলৈয়ো দিব পাৰিবি নহয়? ইমান খৰখেদাখন লগাইছনো কিহলৈ?" আজি মন্দিৰলৈ যাওঁ ব'ল।"

সুমতিয়ে ক'লে, "আজি মন্দিৰলৈ নগ'লে নহ'বনে? আজি মই ককাক দিওঁ যদি কমেও আন এটা দিনৰ বাবে তেওঁৰ কষ্ট পাতলিব।" এই বুলি কৈ সুমতি ককাকৰ ঘৰলৈ বুলি গুচি গ'ল।

বয়সত সৰু হ'লেও জীয়েকৰ বহল তথা উদাৰ হৃদয়ৰ কথা ভাবি পিতৃ দশৰথ আনন্দত আপ্লুত হ'ল।





নোকোৱাই ভাল

নাৰায়ণপুৰৰ জমিদাৰে কথাটোলৈ মন কৰিলে ঃ খাজনা ঠিকমতে আদায়-উচুল হোৱা নাই। অন্যান্য বছৰ প্ৰজাই নিজেই খাজনা দিছিলহি ; কিন্তু এই বছৰ কথা হ'ল আন। কি ব্যৱস্থা ল'লে সোনকালে খাজনা আদায় কৰা সম্ভৱ হ'ব, জমিদাৰে তেওঁৰ দেৱানক সুধিলে।

দেৱানে ক'লে, "অন্যান্য বছৰ প্ৰজাবৰ্গই নিজে নিজেই খাজনা দিয়েহি, এইবাৰ দিয়া নাই। এই ঘটনাৰ আঁৰত নিশ্চয় কিবা কাৰণ আছে। পিছে—প্ৰজাই যদি গা আলগা দিছে—আমিও গা-গধুৰটো হৈ বহি থাকিমনে? আমাৰ কৰ্তব্য হ'ব—যেনেতেনে প্ৰাপ্যখিনি আদায় কৰা। সেয়েহে ভাবিছোঁ,কেইজনমানক লগত লৈ মই নিজেই ওলাম। যিহঁতৰপৰা পাৰিম—আদায় কৰি আনিম, নোৱাৰিলে ডাবি-ধমকি দি আহিম।"

দেৱানৰ আঁচনিত জমিদাৰে বেয়া নাপালে। পাছদিনা, লগত চাৰিজন মানুহ লৈ দেৱান খাজনা আদায় কৰিবলৈ ওলাল। এসপ্তাহ ধৰি ঘূৰি ঘূৰি দেৱানে প্ৰজাহঁতৰপৰা বহুত খাজনা আদায় কৰিলে। যিহঁতৰপৰা আদায় কৰা সম্ভৱ হ'ল আদায় কৰি লৈ, বাদবাকীহঁতক অনতিপলমে খাজনা জমা দিবলৈ টানি নিৰ্দেশ দি, দেৱানে ওভোতা বাট ল'লে।

আদায় কৰাৰ সেই খাজনাৰ ধনখিনি চাৰিটা টোপোলাত বন্ধা হ'ল। ঘোঁৰাত উঠি দেৱান আগে আগে আৰু লগৰ চাৰিজন ঘোঁৰাটোৰ পিছে পিছে খোজ কাঢ়ি গৈ থাকিল। বেলিয়ে লাহ দিয়াৰ

মহেশ্বৰ ঠাকুৰীয়া



পৰতে দেৱান আৰু লগৰীয়া চাৰিজন এটা পুখুৰীৰ পাৰ পালেগৈ। তাৰপৰা আধাক্ৰোশমান দূৰত এখন গাঁও দেখা গ'ল।

দেৱানে গাঁওখনলৈ চাই ভাবিলেঃ ৰাতিছোৱা সেইখন গাঁৱত মই কটাব নোৱাৰিম। বিশেষকৈ সেই গাঁৱৰ ধাইজৰ সৰহভাগেই যে দুষ্ট প্ৰকৃতিৰ সেই কথাটোও দেৱানে নজনা নহয়। ৰাতি তাত থকাৰ অৰ্থ যে কি—সেই কথা গমি দেৱানে তেওঁৰ লগৰীয়া চাৰিজনক ক'লে, "শুনা, সেইখন গাঁও বৰ দুখীয়াহঁতৰ গাঁও। সিহঁতে আমাক ৰাতিৰ আহাৰ বা আশ্ৰয়ো দিব নোৱাৰিব। মই ঘোঁৰাত উঠি গুচি যাওঁগৈ, আৰু তোমালোকে ৰাতিছোৱা ক'ৰবাত কটাই ৰাতিপুৱাতে ওলাবাগৈ।" এই বুলি কৈ, দেৱানে ঘোঁৰা চেঁকুৰাই গুচি গ'ল।

তাৰ পাছত সেই চাৰিওজনে বিৰাট গছ এজোপাৰ তলত খাজনাৰ ধনৰ টোপোলাবিলাক থৈ শুলে।

চাওঁতে চাওঁতে তিনিজনৰ মাজত চন্দন নামৰ এজন টোপনিত লাল-কাল দিলে। অলপ পাছত গছৰ ওপৰৰপৰা কোনোবাই কৈ উঠিল, "হেৰ, তহঁতৰ সাহস তো ক'ম নহয়! তহঁত মোৰ গছ-জোপাৰ তলতে আৰাম কৰিছ হাৰামীহঁত!"

এই বুলি কৈ কৈ গছৰ ওপৰৰপৰা ভূতনে ভূতুনীনে ৰাক্ষসনে ৰাক্ষসী—কিবা এটাক নামিবলৈ ধৰা দেখি সাৰে থকা তিনিও ধনৰ টোপোলা এৰি থৈয়েই চোঁচা ল'লে। চন্দন তেতিয়ালৈকো টোপনিয়াই আছিল।

লগৰীয়া তিনিজন দৌৰি পলোৱাৰ শব্দত সাৰ পাই চন্দনে চকু মেলি চালে। তাত কাকো দেখা নাপাই চন্দনে ইফালে-সিফালে চাবলৈ ধৰিলে।

আৰু চন্দনৰ চকু হঠাৎ বৈ গ'ল। তাৰ কাষতে এজনী ভূতুনীয়ে তালৈ ট'ট'কৈ চাই আছে!

ইপিনে পলাই যোৱা সেই তিনিওটাই পোনে পোনেই দেৱানৰ ওচৰলৈ গৈ দেৱানক সকলো কথা বিবৰি ক'লে,।

চলপুৰাতে দেৱান সেই গছজোপাৰ তলত ওলালহি। ধনৰ টোপোলাকেইটা পৰ দি চন্দন তাতে বৈ আছিল।

জমিদাৰে সকলো শুনি, অত্যন্ত ভাল পাই চন্দনৰ সাহসক পঞ্চমুখে প্ৰশংসা কৰি, এশ মুদ্ৰা পুৰস্কাৰস্বৰূপে আগবঢ়ালে চন্দনলৈ। তাৰ পাছত চন্দন ৰংমনে ঘৰলৈ উভতি গ'ল।

চন্দনৰ সাহসৰ কথা দহোখন গাঁৱত বিয়পি পৰিল। চন্দন ঘৰ পোৱাৰ আগতেই চন্দনৰ ঘৈণীয়েক বন্দনায়ো কথাটো জানিব পাৰিছিল। তাই চন্দনক দেখা পোৱা মাত্ৰেই কৈ উঠিল, "তুমি যে ইমান সাহসী, মই কোনো দিনে কল্পনাও কৰিব পৰা নাছিলোঁ।"

চন্দনে গম্ভীৰ কণ্ঠেৰে ক'লে "মই যে কিমান সাহিয়াল, সেই কথাৰ গুপুত কথাটো জানো মই, আৰু সেই ভূতুনীয়েহে জানে। সেই ৰহস্য আন কোনেও নাজানে। আচল কথা কি জানা— ভূতুনীক গছৰপৰা নামি অহা দেখি মোৰ লগৰ তিনিজনে তেও পলাব পাৰিছিল, সেইকণ সাহস-শক্তি সিহঁতৰ আছিল। মই সেই ভূতুনীক দেখামাত্ৰেই মূঁছকঁছ গৈছিলোঁ আৰু পাছদিনা চলপুৰাতে দেৱানৰ ঘোঁৰাৰ খুৰাৰ শব্দ শুনিহে মই কথমপি সাৰ পাইছিলোঁ।"

"হয়নে কি! বন্দনাই ক'লে, "তেনেহ'লে কথাটো আৰু বেছিকৈ নোকোৱাই ভাল। এতিয়ালৈকে কেৱল তুমি, মই, আৰু সেই ভূতুনীয়েহে জানে। আন কোনোৱাই যাতে নাজানে—তাৰ বাবে সাৱধান হ'বৰ হ'ল। এই বিষয়ে কাকো একো নক'বা। ভুলতো নক'বা। বহুত কথা নোকোৱাই ভাল। ক'লেই বিপদ।"

জ্বালা দ্বীপ

৩

রাক্ষস উগ্রাক্ষৰ লগত হোৱা চৰ্তৰ কথা শুনি মহাৰাজ তাৰকেশ্বৰে পুত্ৰ চিত্ৰসেনক ভৰ্ৎসনা কৰিলে। কিন্তু ৰজা চিত্ৰসেনে ইতিমধ্যে কিবা এটা ব্যৱস্থা ল'ব বুলি কোৱাত বৃদ্ধ মহাৰজা তাৰকেশ্বৰ ভীত হৈ উঠিল। পুত্ৰ চিত্ৰসেনে যে ৰাক্ষস উগ্ৰাক্ষক হত্যা কৰাৰ কথা চিন্তিছে সেই কথাত তেওঁৰ সন্দেহ নাথাকিল। তেওঁ চিত্ৰসেনক ক'লে যে কিবা ধৰণৰ বিপদত সোমাই পৰে যদি তৎক্ষণাৎ চিত্ৰসেনে তেওঁৰপৰা সহায় বিচাৰে যেন। বিপদৰ বাতৰি পোৱামাত্ৰেই তেতিয়া তেওঁ সসৈন্যে আগুৱাই আহিব। আৰু তাৰ পাছত······

মহাৰাজ তাৰকেশ্বৰ পুত্ৰৰপৰা বিদায় লৈ গুচি গ'ল। পিতৃক আগবঢ়াই থৈ অহাৰ পাছত ৰজা চিত্ৰসেন প্ৰাসাদলৈ উভতি আহিল, আৰু লগে লগে তাত ৰৈ থকা ৰাজ্যৰ বিশিষ্ট নাগৰিকসকলে সমস্বৰে কৈ উঠিল, “মহাৰাজ, আমাক ৰক্ষা কৰক। সৌ অৰণ্যত থকা উগ্ৰাক্ষ নামৰ ৰাক্ষসটোৰ অত্যাচাৰত আমি অতিষ্ঠ। কিবা এটা ব্যৱস্থা নকৰে যদি আমাৰ ৰক্ষা কৰোঁতা আন কোনো নাই।

উগ্ৰাক্ষৰ কথা চিত্ৰসেনৰ অজ্ঞাত নাছিল, তেওঁ হাড়ে-হিমজুৰে জানিছিল উগ্ৰাক্ষৰ তলা-নলা। এতিয়া, দেশবাসীৰ পৰা এই অভিযোগ পাই চিত্ৰসেন জালিম যেন হৈ উঠিল। চিত্ৰসেনে ভাবিলেঃ এতিয়া মই সহায়-সম্বলহীন নহওঁ, মই এখন দেশৰ ৰজা। মোৰ প্ৰজাহঁতক কোনোবাই অত্যাচাৰ কৰিব আৰু মই কাঠ-পুতলাটো হৈ চাই থাকিম—এয়া হ'ব নোৱাৰে। ইয়াক উচিত কড়ি বুকুত গুড়ি দিবৰ হ'ল। নহ'লে প্ৰজাহঁতে মোক কাপুৰুষ বুলি ভাবিব। চিত্ৰসেনে নাগৰিকসকললৈ ক'লে, "উগ্ৰাক্ষই বা তাৰ অনুচৰহঁতে অত্যাচাৰ কৰাৰ কথা তোমালোকে সঠিককৈ জানিলা কেনেকৈ?"

চিত্ৰসেনৰ প্ৰশ্ন শুনি প্ৰজা তথা নাগৰিকসকলে পৰস্পৰলৈ চালে। তাৰ পাছত কেইজনমানেই ক'লে, "মহাৰাজ' উগ্ৰাক্ষই বা তাৰ অনুচৰহঁতে আমাৰ ঘৰচীয়া প্ৰাণীবোৰক—অৰ্থাৎ গৰু-ম'হ-ছাগলী-হাঁহ-কুকুৰা আদিক ধৰি লৈ যোৱা আমি বহুতেই বহুদিন ধৰি দেখি আহিছোঁ। সিহঁতে এইবোৰ দিনে-পোহৰেই লৈ যায়। সিহঁতক বাধা দিয়াৰ সাহস কাৰো নাই। কিন্তু—সিহঁতে মানুহক যে লৈ যায়—কোনেও দেখা নাই। কিন্তু নৰখাদক ৰাক্ষসৰ বাহিৰে মানুহক ধৰি লৈ যাব কোনে, আৰু কিয়? মানুহ নোহোৱা হৈ যায়; কিন্তু কোনে লৈ যায় কোনেও দেখা নাই।"

নাগৰিকসকলৰ কথা শুনি চিত্ৰসেনে ভাবিলেঃ উগ্ৰাক্ষৰ অনুচৰহঁতে জন্তু-জানোৱাৰ ধৰি লৈ যাব পাৰে; কিন্তু মানুহ লৈ যাব কিয়? আৰু—কোনেও দেখা নোপোৱাৰ অৰ্থ হ'ল—সিহঁতে ইন্দ্ৰজাল বা তন্ত্ৰ-মন্ত্ৰৰ সহায়ত চকুত বালি মাৰি লৈ গৈছে নিশ্চয়। চিত্ৰসেনে নাগৰিক-সকলক ক'লে, "তোমালোক এতিয়া যোৱা, যি কৰণীয় মই নিশ্চয় কৰিম।"

চিত্রসেন ৰজাৰ মহামন্ত্ৰীয়ে চিত্ৰসেনক ক'লে, "মহাৰাজ, উগ্ৰাক্ষ যে নিষ্ঠুৰ, নিৰ্মম আৰু ভয়ানক প্ৰকৃতিৰ অত্যাচাৰী সেই কথা আমাৰ চোৰাংচোৱাহঁতৰ হতুৱাই মই জানিব পাৰিছোঁ।"

চিত্ৰসেনে মহামন্ত্ৰীক ক'লে, "উগ্ৰাক্ষ যিমানেই ভয়ংকৰ নহওক, তাক খয়ংকৰ কৰিবই লাগিব। আমাৰ প্ৰজাবৰ্গক সি অত্যাচাৰ কৰিব আৰু মই চাই থাকিম এয়া হ'বই নোৱাৰে। আমাৰ সেনাপতি ক'ত আছে? তেওঁক মাতি পঠাওক।"

সেনাপতি চিত্ৰসেনৰ পিছফালে থিয় হৈ আছিল। তেওঁ কৈ উঠিল, "মই ইয়াতে আছোঁ, মহাৰাজ!"

"আমাৰ সৈন্যহঁতে যুদ্ধ কৰিব পাৰিবনে? সিহঁতক উপযুক্তভাৱে প্ৰশিক্ষণ দিয়া হৈছেনে? নে যুদ্ধৰ নামত পেটত হাত-ভৰি লুকাব?" চিত্ৰসেনে সুধিলে।

ৰজা চিত্ৰসেনৰ কথাত বিস্ময় প্ৰকাশ কৰি সেনাপতিয়ে ক'লে, "মহাৰাজ, আমাৰ সৈন্যহঁত অতি সুশিক্ষিত আৰু সাহসী। মন কৰিলে যিকোনো পাহাৰ-পৰ্বতকো চূৰ্ণ-বিচূৰ্ণ কৰিব পাৰিব।"

"সেনাপতি, পাহাৰ-পৰ্বত চূৰ্ণ-বিচূৰ্ণ কৰাত সাহসৰ বৰ প্ৰয়োজন নাই, কিন্তু যুদ্ধত সাহসেই শক্তি। সিহঁতে কোবাই মৰা জবাই কৰা ৰাক্ষস উগ্ৰাক্ষৰ দন্তালি চূৰ্ণ-বিচূৰ্ণ কৰিব পাৰিবনে? নে উগ্ৰাক্ষক দেখিয়েই ফেটী সাপৰ মূৰ ছিঙা লৰ দি পলাব?" চিত্ৰসেনে প্ৰশ্ন কৰিলে।

ৰজা চিত্ৰসেন কথা শুনি সেনাপতিয়ে নিজেই ভয় খাই সেমেনা-সেমেনকৈ ক'লে, "হেৰি নহয় মহাৰাজ. উগ্ৰাক্ষ··· মানে হেৰি আৰু···সেইটো এটা ৰাক্ষস···"

চিত্ৰসেনে উগ্ৰাক্ষৰ নাম শুনি ভয়তে বিতত হোৱা সেনাপতিক ৰখাই ক'লে, "অ'—কথা এয়েহে! তুমি হ'লা সেনাপতি, উগ্ৰাক্ষৰ নাম শুনিয়েই তুমিয়েই দেখোন বেঙে মূতা গৰু যেন হৈ পৰিছা! সৈন্যহঁতে

যে সৰুপানী ছুব সেই কথাত মোৰ সন্দেহ নাই। সৈন্যইঁতৰ তম্বু ক'ত?"

সেনাপতিয়ে ৰজাক লৈ ওলাল সৈন্য-ইঁতৰ শিবিৰ দেখুৱাবলৈ। অলপ দূৰ যোৱাৰ অন্তত সেনাপতিয়ে দূৰলৈ আঙুলিয়াই ক'লে, "মহাৰাজ, সৌ পাহাৰৰ নামনিত তম্বু তৰিবলৈ আমাৰ সৈন্যইঁত ব্যস্ত হৈ আছে এতিয়া।"

চিত্ৰসেনে কেইহাজাৰমান সৈন্যক পাহাৰৰ নামনিত দেখা পাই ভালেই পালে। চিত্ৰসেনে ভাবিলে: মোৰ কেৱল ধন-বলেই নহয়, জনবলো প্ৰচুৰ আছে। চিত্ৰসেনে সিদ্ধক সুঁৱৰি তেওঁলৈ নেদেখা-প্ৰণাম কৰিলে। এনেতে মহামন্ত্ৰীয়ে চিত্ৰসেনক ফুচফুচাই ক'লেহি, "মহাৰাজ, ৰাক্ষস উগ্ৰাক্ষক আক্ৰমণ কৰাৰ আগতে ভালকৈ আঁচনি কৰা আৱশ্যক—যে কেতিয়া কেনেকৈ কোন ফালৰপৰা কি কৰা হ'ব।"

"উগ্ৰাক্ষৰ তালৈ মই নিজেই যাম।" চিত্ৰসেনে ক'লে।

"কিন্তু মহাৰাজ আপুনি···একদম অকলশৰে···।" সেনাপতিয়ে ক'লে।

"নহয়, অকলশৰে নাযাওঁ, মোৰ লগত দুই-চাৰি সৈন্য যাব। ইচ্ছা হ'লে তুমিও মোৰ লগত যাবা।" চিত্ৰসেনে ক'লে।

"নিশ্চয় যাম মহাৰাজ! আমি আপোনাৰ কাৰণে যিকোনো সময়ত আনকি প্ৰাণ বিসৰ্জিবলৈকো প্ৰস্তুত।"

সেনাপতিয়ে দম্ফি মাৰি ক'লে।

পাছদিনা কেইজনমান সৈন্য আৰু সেনাপতিকো লগত লৈ চিত্ৰসেন উগ্ৰাক্ষৰ বাসস্থানৰূপী পৰ্বত পৰিবেষ্টিত অটব্য অৰণ্যত সোমালগৈ।

উগ্ৰাক্ষৰ অনুচৰহঁতে বহু দূৰৰপৰা এওঁলোকক দেখা পাই নিজৰ মাজত কোৰাকুইকৰিবলৈ ধৰিলে, "চা, চা—এই মানুহবোৰ কিমান ভাল মানুহ। আমাৰ আহাৰ হ'বলৈ নিজে নিজেই আগবাঢ়ি আহিছে, আমি সিহঁতক খালে যেনিবা সিহঁত ধইন মানিব, সিহঁতৰ পুইণ হ'ব, শূন্যৰ মাজেদি স্বৰ্গলৈ যাব পাৰিব। নিজক উছৰ্গা কৰাৰ বাবে সিহঁতকেটাৰ কিমান আগ্ৰহ চাচোনহি চাহি।"

চিত্ৰসেনে সিহঁতৰ কাষ চাপিগৈ ক'লে, "তোমালোকৰ চৰ্দাৰক কোৰাগৈ যে মই আহিছোঁ। মোৰ নাম চিত্ৰসেন।"

ৰাক্ষসবিলাকে হোহোৱাই হাঁহি উঠি, ক'লে, "যিকোনো মানুহৰ মঙহৰ সোৱাদ একেই। তোমাৰ সোৱাদ কিবা বেছি হ'বনে? ইমান ডাংকোপ মাৰি ক'বলৈ কিটো আছেনো? পিছে—তুমি কোনোবা দেশৰ ৰজানে কি, কোৱাচোন?"

"ওঁ, মই এখন দেশৰ ৰজা। ৰাইজে মোক মহাৰাজ চিত্ৰসেন বুলি কয়। আৰু যদি কিবা প্ৰশ্ন কৰিছা, এই চোকৰ তৰোৱালেৰে মুণ্ড উৰাই দিম। ইয়াৰপৰা

কেইক্ৰোশমান দূৰত থকা বিচিত্ৰভৱনলৈ মোক লৈ ব'লা। তুৰন্তে আদেশ পালন কৰা।" চিত্ৰসেনে কঠোৰভাৱে ক'লে।

বিচিত্ৰভৱনৰ কথা শুনি ৰাক্ষসইঁতে ভয়ানক ভয় খালে আৰু তৎক্ষণাৎ তলমূৰ হৈ চিত্ৰসেনক ক'লে, "হে মহাপ্ৰভু, আমাক ক্ষমা কৰক। আমাৰ চৰ্দাৰৰ মুখে আপোনাৰ নাম আমি সদায় শুনি আহিছোঁ। আমাৰ ভৱিষ্যৎ-চৰ্দাৰক হেনো আপুনিহে পঠাব। দয়া কৰি ব'লক, আমাৰ চৰ্দাৰৰ ওচৰলৈ আপোনাক লৈ যাওঁ। তেওঁ এতিয়া সম্ভৱতঃ তেওঁৰ প্ৰাসাদ বিচিত্ৰভৱনতে আছে।"

উগ্ৰাক্ষৰ প্ৰাসাদৰ নাম বিচিত্ৰভৱন। এটা সম্পূৰ্ণ টিলা অৰ্থাৎ সৰু পাহাৰ এটা কটা-খন্দা কৰি এই প্ৰাসাদটো সজা হৈছে। এই পাৰ্বত্য-প্ৰাসাদত অতৰ্কিতে সোমাই উগ্ৰাক্ষক আক্ৰমণ কৰাটো আছিল অসম্ভৱ কথা।

চিত্ৰসেনক দেখা পায়েই উগ্ৰাক্ষ সাগ্ৰহে আগুৱাই আহিল আৰু ক'লে, "চিত্ৰসেন, তোমাৰ প্ৰথম সন্তানক লৈ আহিছানে? সি ক'ত আছে?"

"উগ্ৰাক্ষ, তোমাৰ স্মৃতিশক্তি লোপ পাইছে হব'লা। এয়া মাত্ৰ কেইদিনমানৰ আগতহে তোমাক এই প্ৰতিশ্ৰুতি দিছিলোঁ মোৰ ওঠৰ বছৰীয়া ল'ৰাটোক তোমাক দিম বুলি। কেইদিনমানতেই ওঠৰ বছৰ হ'লনে?" চিত্ৰসেনে ক'লে।

চিত্ৰসেনৰ কথা শুনি উগ্ৰাক্ষই হাঁহি উঠিল আৰু ক'লে, "আমাৰ স্মৃতিশক্তি লুপ্ত হোৱাটো তোমালোকৰ মানৱজাতিৰ এই পক্ষে দেখোন ভালেই।"

"মই সমগ্ৰ মানৱজাতিৰ কথাত মূৰ ঘমোৱা নাই; কিন্তু মোৰ প্ৰজাইঁত তোমালোকৰ খাদ্য হ'ব—এই কথাও সহ্য কৰিব পৰা নাই।" চিত্ৰসেনে ক'লে।

শুনি উগ্ৰাক্ষ অবাক হ'ল। উগ্ৰাক্ষই চিত্ৰসেনক সুধিলে, "এনেকুৱা কিবা

হৈছেনে? মোৰ এই অৰণ্য তথা ৰাজ্য তোমাৰো ৰাজ্য বুলি মই কেতিয়াবাই ঘোষণা কৰিছোঁ। নৰ্মদা নৈৰ তীৰত ধৱলগিৰি দেশৰ সীমা বাদে—যিমানদূৰলৈ দৃষ্টিয়ে ঢুকি পায়, সকলো মোৰ। আৰু মোৰ মানেই তোমাৰো।"

"তোমাৰ অনুচৰহঁতে মোৰ প্ৰজাহঁতক অত্যাচাৰেৰে অতিষ্ঠ কৰি তুলিছে। গৰু ম'হ ছাগলী কুকুৰা আদি তো ধৰি লৈ আহিছেই, মাজে-মধ্যে মানুহো ধৰি খাব—মই ভাবিবই নোৱাৰোঁ। তুমি মোক প্ৰতিশ্ৰুতি দিছিলা যে তোমাৰ ৰাজ্য মোৰো ৰাজ্য। তেনেস্থলত মোৰ প্ৰজাহঁতক তোমাৰ অনুচৰহঁতে ধৰি-মাৰি খাব কিয়?" চিত্ৰসেনে স্পষ্টকৈ সুধিলে।

চিত্ৰসেনৰ কথা শুনি উগ্ৰাক্ষ দস্তুৰমত অবাক হ'ল। তাৰ অনুচৰহঁতে এনে অপকৰ্ম কৰিলে বুলি বিশ্বাস কৰিব পৰা নাই উগ্ৰাক্ষই। উগ্ৰাক্ষই চিত্ৰসেনক লৈ অহা অনুচৰহঁতক ক'লে, "তোমালোকে সেই শিলচটাৰ ওপৰত ভালকৈ বহাঁগে।" তাৰ পাছত চিত্ৰসেনক ক'লে, "চিত্ৰসেন, তোমাৰ ভুল হৈছে। কিয়নো, মোৰ অনুচৰহঁতে তোমাৰ এজন প্ৰজাকো ধৰি অনা নাই—আনিব নোৱাৰে।"

"তোমাৰ অনুচৰহঁতে যদি ধৰি অনা নাই—কোনেনো ধৰি আনিছে? নে তোমাৰ অনুচৰহঁতে নৰমাংস ভক্ষণ কৰা এৰি দিলে বুলি ক'বা? তোমাৰপৰা সঁচা কথা শুনিবলৈ মই আশা কৰিব পাৰোঁনে?" চিত্ৰসেনে ৰাক্ষস উগ্ৰাক্ষক প্ৰশ্ন কৰিলে।

"মোৰ অনুচৰহঁত নৰমাংসভুক নহয় বুলি মই কোৱা নাই, চিত্ৰসেন। উছৰে-পৰবে সিহঁতে নৰ-মনিচৰ মঙহ নোখোৱা নহয়, খায়। পিছে—তোমাৰ কোনো প্ৰজাক যে সিহঁতে লৈ অহা নাই, খোৱা নাই, সেই কথাত মই নিঃসন্দেহ। তোমাৰ দেশৰ প্ৰজাহঁতক কোনহঁতে ধৰি লৈ

গৈছে—মই অনুমান কৰিব পাৰিছোঁ। নিহঁত ৰাক্ষসতকৈয়ো — মানে — সিহঁত আমাতকৈয়ো ভয়ংকৰ।” উগ্ৰাক্ষ অলপ ৰ'ল, আৰু তাৰ পাছত পুনৰ ক'লে, “চিত্ৰসেন, তুমি কেতিয়াবা কোনোবা এক জ্বালা দ্বীপৰ নাম শুনিছানে?”

“জ্বালাদ্বীপ!” চিত্ৰসেনে মূৰ জোকাৰি ক'লে, “নাই শুনা।”

“যদি শুনা নাই, আৰু যদি সেই জ্বালা দ্বীপৰ ৰাক্ষসতকৈয়ো ভয়ংকৰ প্ৰাণীহঁতক চাব খোজা—আজি ইয়াত থাকাঁ। ৰাতিৰ পৰতে সিহঁত এই অৰণ্যলৈ আহে। সিহঁত যে আমাতকৈ বৰ বেছি শক্তিশালী সেয়া নহয়; কিন্তু সিহঁত যিটো জন্তুৰ পিঠিত উঠি আহে, সেই জন্তুটো ভয়ানক আৰু মাৰাত্মক। ইহঁতৰ গতি তীব্ৰ। আৰু, সিহঁতে আকাশত উৰিব পাৰে। সেইফালৰপৰা সিহঁতক চৰাই বুলিও ক'ব পাৰি। সিহঁতক বাধা দিয়াৰ কোনো ক্ষমতা আমাৰ নাই। এবাৰ বহু কষ্টেৰে এটাক আমি ধৰিছিলোঁ। কিন্তু ৰাতিটোৰ ভিতৰতে সেইটো মৰিল। গতিকে—তাৰপৰাও জ্বালাদ্বীপৰ ৰহস্য একো জানিবলৈ নহ'ল। সি যে কেনেকৈ মৰিল, আমি বহু ভাবিও ঠাৰৰ কৰিব পৰা নাই। আমি কোনেও তাক অলপো মাৰ-পিট কৰা নাছিলোঁ। তাৰ জকাটো অৰণ্যে আছে, সেই ভয়ংকৰ চৰাইৰ জকা চাবা যদি ব'লা মোৰ লগত।” ৰাক্ষস উগ্ৰাক্ষই চিত্ৰসেনক সবিস্তাৰে সকলো কথা ক'লে।

“জকা চাই কি হ'ব। নালাগে। মই সিহঁতক আৰু সিহঁতক কঢ়িয়াই অনা জন্তু বা বিৰাট আকাৰৰ চৰাইহঁতক চাবলৈ বিচাৰোঁ। লাগিলে—তাৰ বাবে জালা দ্বীপলৈ যাবলৈকো মই প্ৰস্তুত।”

চিত্ৰসেনৰ এই কথাত ৰাক্ষস উগ্ৰাক্ষো সন্মত হ'ল। [অহা সংখ্যাত



পৰশপাথৰ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, ঘোপমৰা এন্ধাৰৰ মাজেদি নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি ইমান যে শ্ৰম কৰিছা, কাৰোবাৰ মংগলৰ বাবেনে অমংগলৰ বাবে? জগতত ধৰ্মাধৰ্ম বৰ স্পষ্ট নহয়। কেতিয়াবা সৎ মানুহো পৰাজিত হয়, অসৎ বিজয়ী হয়। ভাল মানুহ বেয়া হৈ যায়, বেয়া মানুহো দোপত দোপে উন্নতি কৰে। তোমাক দুজন বণিজাৰৰ কথা কওঁ, শুনা। আন একো উপকাৰ নহ'লেও, বণিজাৰৰ এই কাহিনী শুনি শুনি গৈ থাকিলে কমেও তোমাৰ তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বদ্ৰী নগৰত সত্যপাল আৰু বজ্ৰনাথ নামৰ দুজন বণিজাৰ তথা ব্যৱসায়ী আছিল। সত্যপাল আছিল নীতিপৰায়ণ, সত্যবাদী। আনহাতে বজ্ৰনাথে ধনৰ বিনিময়ত যিকোনো বেয়া কাম কৰিছিল, আৰু তাৰ বাবে নগৰৰ অধিবাসীসকলে বজ্ৰনাথক ভয় কৰিছিল।

বজ্ৰনাথৰ ককাকৰ নাম আছিল পদ্মনাভ। পদ্মনাভই তেওঁৰ নাতিয়েকৰ গতি-গোত্ৰ চাই দুখ পাইছিল, কেতিয়াবা তাক সৎ হ'বলৈ উপদেশো দিছিল। বজ্ৰনাথে তাৰ ককাকক কৈছিল, "চোৱাঁ, ককা, ব্যৱসায়ৰ মাজতো এটা ধৰ্ম আছে। মই ব্যৱসায়ৰ ধৰ্ম জীৱনত কেতিয়াও পৰিত্যাগ কৰা নাই।"

"চোৱাঁ বোপা, ব্যৱসায়িক ধৰ্মতকৈ মানৱধৰ্ম ঢেৰ ডাঙৰ। তোমাৰ মাজত সেই মানৱধৰ্ম একেবাৰে নাই। তুমি সত্যপালৰ দৰে ধৰ্মৰ বাটেৰে ব্যৱসায় নকৰা কিয়? তাকে কৰা।"

এইদৰে, বহু চেষ্টা কৰিও পদ্মনাভই যেতিয়া বজ্ৰনাথক অলপো পৰিৱৰ্তিত কৰিব নোৱাৰিলে, তেতিয়া এঠাইত আশ্ৰমবাসী এগৰাকী সাধুপুৰুষক পদ্মনাভই ক'লেগৈ, "প্ৰভু, মোৰ নাতি বজ্ৰনাথে ধন উপাৰ্জনৰ বাবে যিকোনো বেয়া কাম কৰিবলৈকো পিছ নোহঁহকে। তাৰ ভৱিষ্যতৰ কথা ভাবি মই বৰ উদ্বিগ্ন হৈছোঁ। তাৰ পৰিৱৰ্তনৰ বাবে কিবা এটা উপায় দিয়ক, প্ৰভু।"

সাধুপুৰুষজনাই পদ্মক ক'লে, "নগৰত সত্যপাল ব্যৱসায় কৰি কোটিপতি হ'ল। তথাপি অন্যান্য ব্যৱসায়ীহঁতে বজ্ৰনাথকহে অনুকৰণ কৰে। ব্যৱসায়ৰ ক্ষেত্ৰত চতুৰালি কৌশল অতি সহজ বিষয়। তথাপি, উপায় এটা মই দিম। আপুনি বজ্ৰনাথক মোৰ ওচৰলৈ পঠাই দিব।"

পাছদিনা সাধুৱে বজ্ৰনাথক আশীৰ্বাদ কৰি ক'লে, "বোপা, সমীপৰণ্যৰ ওচৰত

বৰাহগিৰি নামৰ এটা পাহাৰ আছে, এই পাহাৰৰ চূড়াত এটা গুহা আছে। সেই গুহাটোৰ ভিতৰত কেইবাটুকুৰা শিলা দেখা পাব। এই শিলাৰে যি বস্তু স্পৰ্শ কৰিবা, সেই বস্তু সোণলৈ পৰিৱৰ্তিত হ'ব ঃ পিছে—এই শিলা আনিবলৈ হ'ল লগত এগৰাকী সত্যবাদীক লৈ যাব লাগিব, অৱশ্যে তেওঁ ব্যৱসায়ীও হ'ব লাগিব। তোমাৰ ককাৰৰ বিশেষ অনুৰোধত মই তোমাক এই ৰহস্যৰ কথা ক'লোঁ। কথাটো আন কাকো নক'বা, আৰু যি কৰা কৰি থাকিবা।"

সেই সাধুপুৰুষজনাৰপৰা এই অভাৱিত সৌভাগ্যসৃষ্টিৰ সুবিধা পাই বজ্ৰনাথে ভাবিলে ঃ কথাটো গুপুতে ৰাখিব পাৰিম জানো? বেৰ-চালৰো চকু-কাণ থাকে।

যি কি নহওক, পাছদিনা সি সৎ ব্যৱসায়ী সত্যপালৰ কাষ চাপিল। বজ্ৰনাথে সত্যপালক ক'লে, "সত্যকাই, মই ব্যৱসায়ৰ নামত বহুতো পাপ তথা অন্যায় কাম কৰিলোঁ। এই পাপৰপৰা মুক্তি পাবলৈ হ'লে এগৰাকী সৎ ব্যৱসায়ী তথা সত্যবাদী মানুহক লগত লৈ বৰাহগিৰি পাহাৰলৈ গৈ, তাত গুহাৰ ভিতৰত থকা বিগ্ৰহক প্ৰণাম কৰিব লাগিব। তুমি মোক সহায় কৰিবানে?" সৰল বিশ্বাসী সত্যপাল বজ্ৰনাথৰ কথাত সন্মত হ'ল আৰু সেই দিনাই দুয়ো বৰাহগিৰিলৈ ৰাওনা হ'ল।



গুহাটোৰ ভিতৰফাল আছিল অন্ধকাৰ। নিমজঅন্ধকাৰ। সেই অন্ধকাৰৰপৰা কোনোবাই কৈ উঠিল, "তোমালোক কোন?"

আৰু লগে লগে গুহাৰ দুৱাৰমুখৰ কাষত পৰি থকা শিলচটা আপোনা-আপুনি গুহাৰ দুৱাৰমুখত কাপ খাই পৰিল। বজ্রনাথ ইমানেই ভীত হ'ল যে তাৰ মুখৰপৰা মাত নোলোৱা হ'ল। সত্যপালে নিৰ্ভয়ে ক'লে, "আমি বিগ্ৰহদৰ্শন কৰিবলৈ ইয়ালৈ আহিছোঁ। তুমিনো কোন?"

"মই কোন—? শুনিবা? দেখিবা? হাঃ হা হাঃ—!" হঠাৎ অন্ধকাৰ গুহা উজ্জ্বল পোহৰেৰে ভৰি পৰিল আৰু সেই পোহৰৰ মাজত হাঁহি থকা বীভৎস বিৰাট-দেহীক দেখা পাই বজ্রনাথ আৰু সত্যপালো উচপ খাই উঠিল। বজ্রনাথে চকু মুদি দিলে। কিন্তু সত্যপালে সাহস সঞ্চয় কৰি সুধিলে, "তুমি কোন, আমি নাজানো। পিছে—যদি আমাৰ দ্বাৰা তোমাৰ কিবা উপকাৰ হয়, আমি ভাল পাম।"

এই বিৰাটদেহীয়ে পুনৰ অট্টহাঁহিৰে গুহা মুখৰিত কৰি ক'লে, "এই গুহাৰ ভিতৰত বিশেষ ধৰণৰ শিলা আছে, এই শিলা বা পাথৰ যিকোনো বস্তুত স্পৰ্শ কৰিলে সেই বস্তু সোণলৈ ৰূপান্তৰিত হ'ব। মই যদি কাৰোবাক এই শিলা বা পাথৰ এটুকুৰা দিব পাৰোঁ, তেনেহ'লে মই অভিশাপমুক্ত হৈ এই বীভৎস দেহ গুচি স্বাভাবিক ৰূপ ঘূৰাই পাম।"

"এই পাথৰ—মানে—পৰশপাথৰ কাক দিবা?" সত্যপালে সুধিলে।

"যোগ্যৱান কাৰোবাক দিম।" বিৰাট-দেহীয়ে ক'লে।

লগে লগে বজ্রনাথে কৈ উঠিল, "ময়েই সেই যোগ্যৱান।"

"ওহোঁ, তোমাক নিদিওঁ। তুমি বেয়া মানুহ। তুমি সীতা নামৰ এগৰাকী তিৰোতাক ঠগিছিলা, দহহেজাৰ টকা মূল্যৰ মাটি মাত্ৰ এশ টকাৰে লিখোৱাই লৈছিলা।"

বিৰাটদেহীয়ে এই কথা কোৱাত বজ্ৰনাথ কিন্তু মুঠেই নদমিল। সি ক'লে, “বেপাৰ-বাণিজ্যত উন্নতি কৰিবলৈ হ'লে মিছা, ছল, চাতুৰি ইত্যাদি লাগিবই। মোৰ নিচিনা আন এজনৰ বেপাৰী আছে, তেওঁ নাম ৰত্নগুপ্ত। ৰত্নগুপ্তই সীতাৰ মাটি-ভেটি সকলো বিনাদামতে নিলে।”

বিৰাটদেহীয়ে বজ্ৰনাথৰ বহুতো বেয়া তথা অন্যান্য কামৰ কথা কৈ থাকিল আৰু তাৰ কথাৰ উত্তৰত বজ্ৰনাথেও অন্যান্য মানুহৰ অধিক পাপ তথা অন্যায় কামৰ তুলনা দি থাকিল।

তেতিয়া বিৰাটদেহীয়ে ক'লে, “জগতৰ ইমান পাপকামৰ কথা মই শুনিবলৈ নিবিচাৰোঁ। তোমাক মই পৰশপাথৰ নিদিওঁ, সত্যপালক দিম। সত্যপাল নামতো সত্য, কামতো সৎ।”

“কিনো ভাল কাম কৰিলে সত্যপালে?” বজ্ৰনাথে তিহতিহাই উঠি ক'লে।

“সীতাৰ ঘটনাত ব্যথিত হৈ, সত্যপালে সীতাক নিজৰ ব্যৱসায়ৰ অংশীদাৰ কৰি লৈছে।” বিৰাটদেহীয়ে ক'লে।

বজ্ৰনাথে ক'লে, “সীতাক তাৰ কাৰবাৰত অংশীদাৰ হিচাপে ল'বলৈ সত্যপালে সীতাৰপৰা পঞ্চাছটা টকা লৈছিল। আনহাতে বণিজাৰ গুণসেনে সীতাৰপৰা মাত্ৰ এটকা লৈ সত্যপালতকৈয়ো ডাঙৰ ব্যৱসায়ৰ অংশীদাৰ কৰি লৈছে। সত্যপালে

ৰূপ ঘূৰাই পাইছোঁ। মোৰ কৃতজ্ঞতাৰ চিনস্বৰূপে আপোনালোকক মই এটুকুৰা পৰশপাথৰ দিম। কিন্তু এটুকুৰাতকৈ বেছি মই দিব নোৱাৰিম। আপোনালোকৰ মাজত কাক দিম?"

"যাকে মন যায় তাকে দিয়া।" সত্যপালে গন্ধৰ্বক ক'লে।

"সং কাৰ্য্যৰ কথা শুনিহে তুমি অভিশাপমুক্ত হ'লা। তেনেহ'লে—তেনে ধৰণৰ সং কামবোৰ সদায় কৰি থাকিলে নিশ্চয় ঢেৰ পুণ্য হ'ব। মই এতিয়াৰপৰা তাকে কৰিম। আগতে যেনেকৈ ধন আৰ্জিছিলোঁ, তেনেকৈ নকৰোঁ। আগতে —লাভৰ বাবে মই সকলো প্ৰকাৰৰ অন্যায় কাম কৰিছিলোঁ। এতিয়াৰপৰা ময়ো সত্যপালৰ দৰে সত্যপথ অৱলম্বন কৰিম। পৰশপাথৰ টুকুৰা মোকেই দিয়া।" বজ্ৰনাথে বিৰাটদেহীক ক'লে।

গন্ধৰ্বই বজ্ৰনাথক শিলা এটুকুৰা, অৰ্থাৎ পৰশপাথৰ দিলে আৰু তৎক্ষণাৎ অদৃশ্য হৈ পৰিল। আৰু পাছমুহূৰ্ততে গুহাৰ দুৱাৰমুখৰপৰা সেই বিৰাট আকাৰৰ শিলচটা নিমিষতে আঁতৰি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰজা, গন্ধৰ্বই পৰশপাথৰ টুকুৰা সত্যপালক দিয়াটোহে উচিত

সীতাৰ সৈতে ভদ্ৰ আচৰণো নকৰে।"

বজ্ৰনাথৰ কথা শুনি ভয়ংকৰ বিৰাট-দেহীয়ে সত্যপালৰ বহুতো সং কামৰ বিবৰণ দিলে। কিন্তু বজ্ৰনাথে নানান ধৰণে সত্যপালক হেয় প্ৰতিপন্ন কৰিলে।

হঠাৎ গুহাৰ ভিতৰত এক তীব্ৰ পোহৰৰ সৃষ্টি হ'ল, আৰু পাছ মুহূৰ্ততে দেখা গ'ল যে বিৰাটদেহীৰ সলনি তাত এজন গন্ধৰ্ব থিয় হৈ আছে! গন্ধৰ্বই সত্যপাল আৰু বজ্ৰনাথকো প্ৰণাম কৰি ক'লে, "আপোনা-লোকৰ অনুগ্ৰহত মই পৃথিৱীৰ বহু সং কাৰ্য্যৰ কথা শুনিলোঁ। ইমান ভাল ভাল কথা শুনাত মই অভিশাপমুক্ত হৈ আগৰ

আছিল ; বজ্রনাথক দিলে কিয় ? বজ্রনাথৰ কথা কাণেৰে শুনি অভিশাপমুক্ত হৈছিল বুলিয়েইনে ? নে বজ্রনাথে সৎভাৱে জীৱন যাপন তথা আয়-উপাৰ্জন কৰিব বুলি কোৱা বাবে ? মুখেৰে ক'লে বুলিয়েই যে বজ্রনাথে সৎভাৱে চলিব—তাৰ কিবা অৰ্থ আছে জানো ? মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তেনেহ'লে তোমাৰ মূৰ চাৰিফাল হ'ব—এই কথা ধুৰুপ।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "শিলা টুকুৰা, অৰ্থাৎ সেই পৰশপাথৰ বজ্রনাথক দিয়াৰ মাজেদি গন্ধৰ্বৰ দূৰদৰ্শিতা প্ৰকাশ পাইছে। আপাতদৃষ্টিত সত্য বুলি বোধ হ'লেও বহুতো কথা-কাণ্ড সত্য নহ'বো পাৰে গভীৰভাৱে বিচাৰ কৰি চালে। সত্যপাল সৎ ব্যৱসায়ী ; কিন্তু তেওঁ কোটিপতি—এই কথাও সত্য। সমাজত সত্যপালৰ প্ৰতিষ্ঠা আছে, সুনাম-সুখ্যাতি আছে। তেওঁ আৰু বেয়া হৈ যোৱাৰ আশংকা নাছিল। আনহাতে—ভাল কামৰ ফল যে ভাল হয়—জীৱনৰ এই সত্যত বজ্রনাথে বুজি পোৱা হৈছিল। সি সৎ ভাৱে চলিব বুলি কোৱা সত্বেও তাৰ ব্যৱসায়ত লোকচান হোৱাহেঁতেন সি নিশ্চয় সৎ হৈ নাথাকিলহেঁতেন কিন্তু শিলা, অৰ্থাৎ পৰশপাথৰৰ সহায়ত বজ্রনাথ ধনী মানুহ হ'ব পাৰিব, আৰু তেতিয়া সি আৰু আনক ঠগি ধন উপাৰ্জন কৰিবলৈ নিবিচাৰিব। এতেকে—গন্ধৰ্বই সত্যপালৰ সলনি বজ্রনাথক পৰশপাথৰ টুকুৰা দিয়াত গন্ধৰ্বৰ দূৰদৃষ্টিৰহে পৰিচয় পোৱা গৈছে, আৰু গন্ধৰ্বৰ এই কাম সুনিশ্চিতভাৱে সঠিক বুলি কোৱাৰ থল আছে।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতাল শ'টো লৈ পুনৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

দ্বিতীয় চিন্তা

জমিদাৰ ভাওৰীয়াই উদ্যানত পায়চাৰি কৰি থাকোঁতে কিবা এটা কামত পৰি তেওঁৰ কৰ্মচাৰী এজন তেওঁৰ ওচৰলৈ আহিল। কামখিনি কৰি উভতি যাবলৈ খোজ লওঁতেই জমিদাৰে তেওঁৰ আঙুলিত থকা মুকুতা খটোৱা আঙঠিটো কৰ্মচাৰীজনক দেখুৱাই ক'লে, "চোৱাঁ, এই আঙঠিটোৰ কাৰিকৰ মানুহজন অতি দক্ষ। মুকুতাটোও খুব মূল্যবান। কেনে জিলিকিছে চোৱাচোন। আঙঠিটো কেনে পাইছা কোৱাচোন শুনো?"

কৰ্মচাৰীজনে জমিদাৰৰ কথাৰ উত্তৰত একো নোকোৱাত জমিদাৰেই পুনৰ সুধিলে, "কি হ'ল, একো নক'লা দেখোন?"

কৰ্মচাৰীজনে বিনম্ৰভাৱে ক'লে, "মোৰ দায়-দোষ নধৰিব, আঙঠিটোৰ বিষয়ে আপুনি নিজে একো মন্তব্য নকৰাহেঁতেন মই নিৰ্দ্বিধাই ক'লোহেঁতেন। কিন্তু আপোনাৰ ইমান প্ৰশংসা শুনাৰ পাছত আঙঠিটো ভাল নহয় বুলি মই ক'ব পাৰোঁনে? সেইদেখিহে মই নিমাতে আছিলোঁ, আৰু থাকিম। মোৰ দ্বিতীয় চিন্তাৰ অধিকাৰ নাই।"

জমিদাৰ ভাওৰীয়াই কৰ্মচাৰীজনৰ কথা শুনি জীৱনত এয়ে প্ৰথমবাৰৰ বাবে বুজিব পাৰিলে যে নিজৰ বিষয়ত দ্বিতীয় কাৰোবাৰ মতামত কেনেকৈ ল'ব লাগে বা লোৱা উচিত। তেওঁ আঙঠিটো কৰ্মচাৰীজনলৈ উপহাৰ হিচাপে আগ বঢ়ালে।



আমাৰ দ'ল-দেৱালয়

উদিপি

শ্ৰীকৃষ্ণ ডাঙৰ হোৱাৰ পাছত মাতৃ দেৱকীয়ে কৃষ্ণৰ শৈশৱৰ ৰূপ চোৱাৰ ইচ্ছা প্ৰকাশ কৰাত দেৱশিল্পী বিশ্বকৰ্মাই শিশু-কৃষ্ণৰ মূৰ্তি সাজি দেৱকীক দিলে।

কিছুকালৰ অন্তত এই মূৰ্তি অৰ্জুনৰ হাতত পৰিলগৈ। প্ৰভাসতীৰ্থত শ্ৰীকৃষ্ণই এক অৱতাৰৰ ৰূপ লোৱাত অৰ্জুনে শিশুকৃষ্ণৰ মূৰ্তি বালিৰ তলত লুকুৱাই থ'লে। ক্ৰমে ক্ৰমে এই মূৰ্তিৰ ওপৰস্থিত মাটি উজ্জ্বল হৈ উঠিল।

তাৰ পাছত বহু কাল উকলিল। বিগত চৌধ্য শতিকাৰ জাহাজ এখনে সেই ঠাইত নঙৰ কৰিলেহি। জাহাজৰ প্ৰধান নাবিকে উজ্জ্বল মাটি খান্দি মূৰ্তিটি উলিয়াই লৈ পুনৰ জাহাজ এৰি দিলে।



এদিন মধ্যাচাৰ্য্যগণে কাৰ্ণাটকৰ সাগৰ-তীৰত ধ্যানমগ্ন হৈ থাকোঁতে সাগৰৰ বুকুত এখন জাহাজ দেখা পালে।

চাওঁতে চাওঁতে ধুমুহা উঠিল, জাহাজখন ডুবোঁ ডুবোঁ হ'ল। জাহাজৰ যাত্ৰীসকল অতিপাত নিৰুপায়ত পৰিল।

ধ্যানস্থ মধ্যাচাৰ্য্যগণে তেওঁলোকৰ-গাত থকা বস্ত্ৰ ওপৰলৈ দাঙি ধৰাত জাহাজৰ প্ৰধান নাবিকে আনন্দিত মনেৰে তাত জাহাজখন নঙ্গৰ কৰিলে।

প্ৰধান নাবিকে মধ্যাচাৰ্য্যগণৰ চৰণত প্ৰণাম কৰি ক'লে, "প্ৰভুসকল ! আপনালোকেই আমাক ৰক্ষা কৰিলে। আমাৰ জাহাজত থকা যিকোনো সামগ্ৰী আপোনালোকে লওক ।" জাহাজত কি কি বস্তু-সামগ্ৰী আছে মধ্যাচাৰ্য্যই চাবলৈ ইচ্ছা প্ৰকাশ কৰিলে।



প্ৰধান নাবিকে মধ্যাচাৰ্য্যক জাহাজত থকা বহুতো মূল্যবান সামগ্ৰী দেখুৱালে। কিন্তু মধ্যাচাৰ্য্যই একো নল'লে । হঠাৎ মধ্যাচাৰ্য্যই জাহাজৰ এচুকত পৰি থকা মোনা এটি দাঙি লৈ আনন্দৰে বুকুত সাৱটি ল'লে ।

"হে প্ৰভু, এই মোনাত এঠালতীয়া মাটিৰ বাহিৰে আন একোৱেই নাই । জাহাজত লাখ লাখ মুদ্ৰাৰ সামগ্ৰী আছে, আপুনি যি মন যায় ল'ব পাৰে।" মধ্যাচাৰ্য্যই মোনাত থকা মাটিৰপৰা শিশুকৃষ্ণৰ মূৰ্তিটি উলিয়াই সেই মূৰ্তিটি প্ৰধান নাবিকক দেখুৱালে।



মধ্যাচাৰ্য্যই এটি মন্দিৰ নিৰ্মাণ কৰি এই কৃষ্ণমূৰ্তি প্ৰতিষ্ঠা কৰিলে। তেওঁ তেওঁৰ আঠগৰাকী শিষ্যক এই মূৰ্তিৰ পূজা-পদ্ধতি শিক্ষা দিলে। এই আঠগৰাকী শিষ্যই আঠোটা মঠ নিৰ্মাণ কৰিছিল।

মধ্যাচাৰ্যাৰ দিনৰেপৰাই এই মন্দিৰত সেই মূৰ্তিৰ পূজা চলি আহিছে। জনশ্ৰুতি মতে, মন্দিৰৰ গৰ্ভগৃহত মধ্যাচাৰ্য্যই জ্বলোৱা কিছুমান দীপ সিদিনাৰপৰা আজিও প্ৰজ্বলিত।





আঠগৰাকী মঠাধিপতিৰ মাজত প্ৰতি-জনৰ দায়িত্ব দুবছৰকৈ। দুবছৰৰ পাছত যেতিয়া পুনৰ এই দায়িত্ব বন্টন কৰা হয়—তেতিয়া তাক ‘পৰ্য্যায়’ বুলি কোৱা হয়। তেতিয়া অতি ধুমধামেৰে এই অপূৰ্ব শিশুকৃষ্ণৰ উৎসৱ পালন কৰা হয়।

জ্ঞানন্তা মামা

কোশলদেশৰ ৰজা আছিল শৈলেন্দ্ৰবৰ্মা। এদিনা গধূলিৰপৰতে ৰজাই তেওঁৰ ভাৰবীয়া (বহুৰা) শকটক লগত লৈ উদ্যানত ঘূৰি ফুৰোঁতে প্ৰহৰীয়ে এগৰাকী পণ্ডিত ৰাজদৰ্শনলৈ বৈ থকাৰ কথা ৰজাক ক'লেহি।

ৰজাই প্ৰহৰীক ক'লে- "পণ্ডিতগৰাকীক ইয়ালৈ লৈ আহাঁগৈ, যোৱা।"

উদ্যানলৈ আহি, ৰজাক নমস্কাৰ কৰি, পণ্ডিতগৰাকীয়ে ক'লে, "মহাৰাজ, মই বৎসদেশৰ অধিবাসী। মোৰ নাম শোধক। আপোনাক দৰ্শন কৰাৰ মনেৰে আহিলোঁ।"

বৎসদেশৰ সৈতে ৰজা শৈলেন্দ্ৰবৰ্মাৰ কোনো বিৰোধ নাছিল ; পিছে—দুয়োখন দেশৰ মাজত এক ধৰণৰ ক্ষোভৰ আভাস উমি উমি জ্বলিছিল। এআষাৰত ক'বলৈ গ'লে দুয়োখন দেশৰ মাজত প্ৰকাশ্য বিৰোধো নাছিল, আকৌ বৰ হৰিলগৰিলো নাছিল।

ৰজাই মুহূৰ্তকৈ হাঁহি মাৰি পণ্ডিতক ক'লে, "তেনেহ'লে—আপুনি হ'ল সেই বৎসদেশৰ পণ্ডিত-কবি। বৎসদেশত পাণ্ডিত্যৰ আদৰ নোহোৱা হ'লনে কি ?"

এই প্ৰশ্নৰ উত্তৰত পণ্ডিত শোধকে ক'লে, "মহাৰাজ, আপোনাৰ কথা— আখৰে আখৰে সত্য। আমাৰ মহাৰাজে কবি-সাহিত্যিক-পণ্ডিতসকললৈ কিমান কি কৰে, আপুনি জানেই। আপোনাক এই বিষয়ে অধিক কোৱাটো নিষ্প্ৰয়োজন।"

ৰজা শৈলেন্দ্ৰই এই কথাত ৰং পাই ক'লে, "আপোনালোকৰ দেশৰ কোষাগাৰ ৰোধকৰোঁ উদং হ'ব ধৰিছে, আৰু সেয়েহে

আপুনিও নিজ দেশ এৰি অনাই-বনাই ফুৰিছে। যিয়েই নহওক—আন দেশলৈ গৈ প্ৰাৰ্থী হোৱাটো বৰ লজ্জাকৰ।"

ৰজা শৈলেন্দ্ৰৰ কটূক্তিলৈ গুৰুত্ব আৰোপ নকৰি পণ্ডিত শোধকে মিচিকীয়াই হাঁহি মাৰি ক'লে, "আপোনাৰ কোশল-দেশৰ সম্পদৰ সৈতে আমাৰ দেশৰ সম্পদৰ কোনো তুলনা নাই। আৰু, আমাৰ দেশৰ কোষাগাৰৰ অৱস্থা যে ভাল নহয় সেই কথা জানিছেই যদি, মোৰ অৱস্থাৰো নিশ্চয় বুজ ল'ব পাৰিছেই, মহাৰাজ।"

শোধকৰ এই কথাত ৰজাই ইমানেই ভাল পালে যে তেওঁ তৎক্ষণাৎ নিজৰ ডিঙিত থকা বহুমূলীয়া হাৰডাল শোধকৰ ডিঙিত পিন্ধাবলৈ ধৰোঁতেই ভাৰৱীয়া শকটে ৰজাক কৈ উঠিল, "মহাৰাজ, অলপ ৰ'ব। বৎসদেশৰ এই পণ্ডিত-গৰাকীৰ পাণ্ডিত্যৰ পৰীক্ষা লোৱা নহ'ল দেখোন। পিছে—এওঁ যে বেছ জমাই গল্প ক'ব পাৰে, সেই কথাত সন্দেহ নাই।"

ৰজা শৈলেন্দ্ৰই শকটক কলে, "তেনেকৈ কোৱাটো উচিত নহয়। গল্প—মানে কি। সঁচা কথা আকৌ গল্প হ'ব কেনেকৈ?"

নিৰুপায় ভাৰৱীয়া শকটে ক'লে, "মহাৰাজ, প্ৰতিটো গল্পৰ এটা সামাজিক পটভূমি থাকিব লাগে, ঐতিহাসিক ভিত্তিও আৱশ্যকীয়। এই ক্ষেত্ৰত কালি ৰাতি যি ঘটনা ঘটিছিল, আপোনাক ক'ম। বৎসদেশৰ ৰজা নিঃসন্দেহে সুপণ্ডিত ব্যক্তি অৱশ্যে—শুনা কথা। মোৰ সেই কথা শুনি পণ্ডিত শোধকে আমনি পাব পাৰে। আপুনি তেওঁক আন ঠাইত অলপ জিৰণি ল'বলৈ কওক।"

ৰজাই পণ্ডিত শোধকলৈ ঘূৰি চালে। শোধক তৎক্ষণাৎ তাৰপৰা আঁতৰি গ'ল। তাৰ পাছত ৰজাই ভাৰৱীয়া শকটলৈ চালে। শকটে ক'লে, "মহাৰাজ, আপোনাৰ কথা আৰু কাৰ্য্যই স্বদেশৰ মানুহতকৈ বিদেশৰ মানুহক অধিক সমাদৰ কৰাৰ

প্ৰমাণ দিয়ে।"

শকটৰ কথা শুনি ৰজাৰ অধিক খং উঠিল। তেওঁৰ ভাৰবীয়া শকটক ক'লে, "সাত ভাৰস্তৰ কথা বাদ দি আচল কথাটোকে কোৱাচোন।"

"এই শোধকপণ্ডিত যে কেনে ধৰণৰ পণ্ডিত, মই তাৰ তল-নলা ধৰিব পৰা নাই। বৎসদেশ আমাৰ দেশতকৈ সৰু হ'লেও সেই দেশৰ ৰজাই কিন্তু পণ্ডিত লোকসকলক যথেষ্ট সমাদৰ ক'ৰে। আৰু এইবোৰ কথা আপুনিও নজনা নহয়।" শকটে ৰজাক ক'লে।

ৰজাই এইকথাৰ একো উত্তৰ নিদিয়াত শকটেই পুনৰ কৈ থাকিল, "মহাৰাজ, আপুনি নালন্দাত সহ-অধ্যক্ষৰ পদত থাকোঁতে কিবা এটা কাৰণত আপোনা-লোকৰ দুয়োৰো মাজত সৰুসুৰা বিৰোধৰ ঘটনা ঘটিছিল। কথাটো মাত্ৰ জনা-দিয়েকেহে জানে।"

"আৰু সেই জনাদিয়েকৰ মাজত তুমিও এজন বুলিহে মোৰ ধাৰণা।" ৰজাই নীৰৱ হাঁহিৰে মুখখন উজলাই ভাৰবীয়া শকটলৈ চাই ক'লে।

"আপুনি ঠিকেই কৈছে, মহাৰাজ। কিন্তু মোৰ ধাৰণা—কেৱল মই নহওঁ, পণ্ডিত, বা শিয়ালপণ্ডিত শোধকেও জানে কথাটো। বৎসদেশৰ পৰিস্থিতি সম্বন্ধে আপুনি যি ক'লে, শোধকপণ্ডিতে আখৰে



মানি ল'লে। সেই ছেগতে, তেওঁৰ মনে খনা পুখুৰীত পানী খাবলৈ, মহে-বগলীয়ে ডুকুৰি কৰি আপোনাক যিবোৰ শাক-খোৱা পাত-খোৱা কথা ক'লে, সেইবোৰ কিন্তু সম্পূৰ্ণ অমূলক।" শকটে ক'লে।

তেতিয়া ৰজাই ক'লে, তেনেহ'লে—শোধকে মোক শিয়াল বাগি দিহে উপহাৰ ল'বলৈ আহিছিলনে কি?"

ভাৰবীয়াই ক'লে, "মহাৰাজ বৎস-দেশৰ ৰজাক অক্ষম-অপদাৰ্থ বুলি কোৱাত আপনি কিজানি ৰং পাইছিল; কিন্তু ভাবি চাওকচোন, বৎসদেশৰ ৰজাকো আপোনাৰ কথা একেদৰেই কৈ কোনোবা-কুনুবিয়ে—"

ভাৰবীয়াৰ কথাৰ মাজত বাধা দি ৰজাই কৈ উঠিল, "ৰ'বা। তোমাৰ কথা সঁচা হ'ব পাৰে। কিন্তু তুমিও যে নোহোৱা-নোপজা কিবা এটা নাই কোৱা—তাৰ পৰীক্ষাটোও মোক লাগে।" এই বুলি কৈ, ৰজাই প্ৰহৰীক মাতিলে আৰু শোধক পণ্ডিতক লৈ আহিবলৈ আদেশ দিলে।

কিন্তু প্ৰহৰীহঁতে শোধক পণ্ডিতক ক'তো বিচাৰি নোপোৱা হ'ল।

তেতিয়া ভাৰবীয়া শকটে ৰজা শৈলেন্দ্ৰক ক'লে, "মহাৰাজ, বৎসদেশৰ ৰাজসভাৰ এগৰাকী পণ্ডিত মোৰ আত্মীয় আৰু তেওঁ সম্প্ৰতি মোৰ ঘৰতে আছেহি—মোৰ এই ছলাহী কথা বিশ্বাস কৰি জিৰণি লোৱাৰ ছলত জীউ টোপোলাত বান্ধি জানন্তা মামাই ফাট মাৰি ৰজাৰ দণ্ডৰপৰা সাৰিলে। আপুনি এটা বান্দৰৰ ডিঙিতহে এই বহুমূলীয়া হাৰ পিন্ধাবলৈ ধৰিছিল। মোৰ সাৱধানতাৰ ফলত আপুনি পৰিতাপৰপৰা ৰেহাই পালে।"

"তেনেহ'লে এই হাৰ তোমাৰহে প্ৰাপ্য।" এই বুলি কৈ, ৰজাই তেওঁৰ ডিঙিত থকা হাৰডাল সোলোকাই আনি ভাৰবীয়া শকটৰ ডিঙিত পিন্ধাই দিলে।

শিৱলীলা

৪

শবৰৰ অৰ্থাৎ ব্যাধহঁত গুচি যোৱাৰ পাছত তিন্নই ভাবিলে ঃ বেচেৰা শিৱইনো আৰু কিমান দিন এনেকৈ ভোকে-লঘোনে কটাব? —এই কথা ভাবি, ধনু-কাঁড় লৈ, তিন্ন অৰণ্যত সোমালগৈ। অলপ পাছত এটা বনৰীয়া গাহৰি চিকাৰ কৰি, সেই গাহৰিৰ মঙহ জুইৰে সেঁকি, সেই সেঁকা মঙহ আৰু সুৱৰ্ণমুখীৰ পানী শিৱৰ ওচৰলৈ লৈ গ'ল আৰু শিৱক সেইখিনি দি ক'লে, "হোঁ, এতিয়া এইখিনি খাই ভোক গুচোৱা।"

তিন্নৰ কথাৰ উত্তৰত শিৱই একো ক'ব নোৱাৰিলে। শিৱই একোৰেই নোকোৱা দেখি তিন্নই কান্দি কান্দি ক'লে, "তুমি নোখোৱা যদি, তোমাৰ চৰণতে মই নিশ্চয় আত্মঘাতী হ'ম।"

শিৱই তাৰ ভক্তিত মুগ্ধ হৈ ক'লে, "নাকান্দিবা, তিন্ন, মই খাম।"

এইদৰে বহু দিন পাৰ হ'ল। এদিন এগৰাকী শিৱভক্ত ব্ৰাহ্মণ শিৱৰ ওচৰলৈ আহিল আৰু শিৱৰ ওচৰত বিভিন্ন জীৱ-জন্তুৰ হাড় সিচঁৰতি হৈ থকা দেখা পাই শিৱক ক'লে, "এইবোৰ কি? তোমাৰ ওচৰত ইমানবোৰ জীৱ-জন্তুৰ হাড় পৰি আছে কিয়? নোকোৱা যদি—মই তোমাৰ সমুখতে প্ৰাণ বিসৰ্জিম।"

"ইমান উত্তেজিত নহ'বাচোন। এজন ব্যাধে অতি ভক্তিৰে মোক ইয়াত চোৱা-

'বীৰসংগমৰ বিবাহ'

চিঁতা কৰে। তাৰ ভক্তিৰ ৰূপ চাবা যদি—আঁৰত থাকি চাবলৈ চেষ্টা কৰাঁ।” শিৱই ক'লে, “আৰু যদি— ”

শিৱৰ কথা শেষ নৌহওঁতেই তিন্ন ওলালহি. আৰু আহিয়েই মন্দিৰৰ চাৰিও-ফালে সিচঁৰতি হৈ থকা হাড়বিলাক চাফা কৰিলে, পানীৰে ধুই, শিৱক মঙহৰ টুকুৰা কিছুখিনি খাবলৈ দিলে।

শিৱঁই তিন্নক পৰীক্ষা কৰি চোৱাৰ মনেৰে মঙহখিনি নাখাই চকু মুদি বহি থাকিল। অলপ পাছত শিৱৰ এটা চকুৰপৰা চকুলোৰ ধাৰ ব'বলৈ ধৰিলে। শিৱৰ চকুত পানী দেখি তিন্ন ভয়ানকভাৱে দমি গ'ল। সি শিৱৰ চকুৰ চিকিৎসাত লাগি পৰিল ; কিন্তু বহু ধৰণৰে চিকিৎসা কৰিও চকুলো বন্ধ কৰিব নোৱাৰিলে। অধিকন্তু এতিয়া শিৱৰ চকুৰপৰা তেজহে নিগৰিবলৈ ধৰিলে। তেজ নিগৰা দেখি বিহ্বল হৈ পৰা তিন্নই ভাবি থাকিল : চকুৰ সলনি চকু—এয়ে হ'ল শ্ৰেষ্ঠ চিকিৎসা। এই কথা ভাবি, তিন্নই নিজৰ এটা চকু উপাৰি আনি শিৱৰ চকুত লগাই দিলে।

তাৰ পাছত শিৱৰ আনটো চকুৰপৰাও তেজ ওলাল। তেতিয়া তিন্নই শিৱক ক'লে, “ঠিক আছে, একো ভয় নকৰিবা, মোৰ আন চকুটোও তোমাকে উৎপাৰি দিম।” এই বুলি কৈয়েই, তিন্নই তাৰ আন চকুটো উভালি আনিবলৈ ধৰোঁতেই শিৱই তাক ৰখাই কৈ উঠিল, “ৰ'বা।”

তেতিয়া ব্ৰাহ্মণ আঁৰৰপৰা ওলাই আহিল। শিৱই সেই ব্ৰাহ্মণক ক'লে, “দেখিলানে—ভক্তি কাক বোলে ?” তাৰ পাছত শিৱই দুয়োকো সুধিলে, “তোমা লোকক কি বৰ লাগে কোৱাঁ।”

দুয়োজনেই শিৱক সাষ্টাংগে প্ৰণাম কৰি ক'লে, “প্ৰভুৱে যি বৰ দিয়ে, আমি তাকে মূৰ পাতি ল'ম।”

শিৱই দুয়োজনক নিজৰ মাজত লীন কৰি জাগতিক কষ্টৰপৰা ৰেহাই দিলে।

বীৰসংগম নামৰ এজন শিৱভক্ত আছিল। এওঁ বয়সত আছিল তৰুণ। দেখাই-মেলাইয়ো আছিল চিকুণ।

বীৰসংগমৰ বাবে কইনা চাবলৈ তাৰ বৰপিতাক গ'ল ওংকাৰপুৰলৈ। তাত তেওঁলোকৰ এগৰাকী আঢ্যৱন্ত আত্মীয় আছিল। তেওঁ বীৰসংগমৰ বৰপিতাকক যথেষ্ট আদৰ-অভ্যৰ্থনা কৰিলে। খোৱা-লোৱাৰ অন্তত সুধিলে, "কথা কি কোৱা-চোন? বাট ভুল কৰি ওলালাহিনে কি?"

"এটা শুভ কামলৈ ওলাইছোঁ। আমাৰ বীৰসংগমক বিয়া দিবৰ হ'ল। কইনা লাগে। তোমাৰ ছোৱালীজনীক—চন্দ্ৰিণীক দিয়া যদি—কোৱাঁ। সিহঁত দুটাৰ যোৰা মিলিব ভাল। মোৰ প্ৰস্তাৱত তোমাৰ যদি একো আপত্তি নাই—অনতিপলমে ব্যৱস্থা কৰা হ'ব।" বীৰ-সংগমৰ ৰৰপিতাকে ক'লে?

কুটুম্ মানুহজনে—অৰ্থাৎ দেৱব্ৰতই এই কথাত ভাল পাই ক'লে, "এই প্ৰস্তাৱতকৈ ভাল প্ৰস্তাৱ আৰুনো কি হ'ব? বীৰসংগমতকৈ ভাল পাত্ৰ নোলাব। বিয়াৰ দিন-খেণ তুমিয়েই ঠিকঠাক কৰাঁ।"

তাৰ পাছত বিয়াৰ দিন ঠিক কৰা হ'ল।

এনেতে হঠাৎ এটা ঘটনা ঘটিল। সেই দেশৰ ৰজাই চন্দ্ৰিণীক সিহঁতৰ ঘৰৰ দুৱাৰদলিত দেখা পাই প্ৰথম দেখাতে ভাল পাই পেলালে। এই ৰজাৰ নাম আছিল ভাস্কৰ। ৰজাই একেথিৰে তাইৰ পিনে চাই থকা দেখি চন্দ্ৰিণী খৰধৰকৈ ঘৰৰ ভিতৰলৈ সুচি গৈছিল। কিন্তু ৰজাই সেই পলকতে প্ৰেমত পৰিল। তেওঁ মহামন্ত্ৰীক কথাটো ক'লেগৈ. আৰু আৰু চন্দ্ৰিণীক বিয়া কৰোৱাৰ ইচ্ছাও প্ৰকাশ কৰিলে।

মহামন্ত্ৰীয়ে চন্দ্ৰিণীৰ দেউতাকক কথাটো ক'লেগৈ। মহামন্ত্ৰীৰ কথাৰ উত্তৰত চন্দ্ৰিণীৰ দেউতাকে ক'লে, "মহাৰাজে, মোৰ জীক বিবাহ কৰোৱাৰ

প্ৰস্তাৱ দিয়াত মই গৰ্বিত। কিন্তু তাইৰ বিবাহ আন এঠাইত স্থিৰ হ'ল, কৰা দিনক্ষণো খাটাং কৰা হ'ল। এতিয়া আৰু উপায় নাই।"

মহামন্ত্ৰীয়ে কথাটো ৰজা ভাস্কৰক ক'লেগৈ। ৰজাই তেওঁৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজনসকলক ক'লে, "মই চন্দ্ৰিণীৰ ৰূপমুগ্ধ। তাইক জীৱনলগৰী হিচাপে নাপাওঁ যদি—এই জীৱন বিসৰ্জিম।"

বন্ধু-বান্ধৱ আত্মীয়-স্বজসকলে চন্দ্ৰিণীৰ দেউতাকক ক'লেহি, "হেৰি ডাঙৰীয়া, আপুনি বাৰু বলিয়ানে কি? স্বয়ং ৰজাই আপোনাৰ কন্যাক বিবাহ কৰাব খুজিছে, আৰু আপুনি অসম্মত হৈছে! আপোনাৰ এনে আকাশলংঘা স্পৰ্ধা হ'লনো কেনেকৈ? ঠিক আছে—যি হ'ল হ'ল, গ'ল কথা গুচিল। এতিয়া আপুনি আমাৰ প্ৰস্তাৱ মানি লওক।"

চন্দ্ৰিণীৰ দেউতাকে বিনম্ৰভাৱে ক'লে, "আপোনালোকৰ বক্তব্য মই বুজি নোপোৱা নহয়। কিন্তু মই একাধিক পাত্ৰৰ সৈতে কেনেকৈ তাইৰ বিয়া পাতিম?"

এওঁলোকে ৰজাক ক'লেগৈ, "আপুনি চন্দ্ৰিণীক একদম পাহৰি যাওক। আমি চন্দ্ৰিণীতকৈয়ো চকুৰোৱাজনী বিচাৰি উলিয়াম। চন্দ্ৰিণীৰ দেউতাকৰ দৃঢ়তা কিন্তু সঁচাকৈয়েই প্ৰশংসনীয়।"

এওঁলোক গুচি যোৱাৰ লগে লগে স্বয়ং ৰজা ভাস্কৰ চন্দ্ৰিণীহঁতৰ ঘৰলৈ গ'ল। চন্দ্ৰিণীৰ মাতৃ-পিতৃয়ে ভয়তে কঁপিবলৈ ধৰা দেখি চন্দ্ৰিণীয়ে তেওঁলোকক অভয় দিলে আৰু ঘৰৰ দুৱাৰ খুলি বাহিৰলৈ ওলাই আহি ৰজাক ক'লে, "ককাইদেউ, মোৰ প্ৰতি তোমাৰ ইমানেই মৰম হ'লনে? নিজেই আমাৰ ঘৰলৈ আহিলা?"

"মই যে কিয় আহিলোঁ, নিশ্চয় বুজি পাইছা। তথাপি তুমি মোক তেনেকৈ সম্বোধন কৰিছা কিয়? অসংখ্য সুন্দৰী ছোৱালীয়ে মোক পতিৰূপে পালে ধন্য

মানিব। কিন্তু তোমাক মই দেখাৰো-পৰাই পাহৰিব পৰা নাই।” ৰজাই ক'লে, “মই তোমাক মহাৰাণীৰ মৰ্য্যদা দিম।”

“হে ৰজা, মোৰ মাতৃ-পিতৃয়ে বীৰসংগমৰ সৈতে মোৰ বিহাহৰ কথা দিলে। কোনোবা নাৰীৰ একাধিক পতি থকা উচিত বুলি আপুনি ভাবেনে?” চন্দ্ৰিণীয়ে সুধিলে।

“সেইবোৰ বেতেৰিবন্ধীয়া কথা মই বুজি নাপাওঁ। মই তোমাক বিয়া কৰাম এয়ে হ'ল মোৰ শেষ কথা।” ৰজাই ক'লে।

চন্দ্ৰিণীয়ে তেতিয়া শিৱক সুঁৱৰিলে। এই সমস্যাৰ সমাধানৰ দায়িত্ব শিৱৰ ওপৰত অৰ্পি, চন্দ্ৰিণীয়ে ৰজাক ক'লে, “যদি আপোনাক পতিৰূপে গ্ৰহণ কৰিবলৈ ঈশ্বৰপৰা নিৰ্দেশ পাওঁ—সেয়ে হ'ব। মই আজিৰেপৰাই তাৰ বাবে ব্ৰত উদ্‌যাপন কৰিম। সাতদিন ধৰি এই ব্ৰত উদযাপিত হ'ব।”

ৰজা আনন্দিত মনেৰে উভতি গ'ল। চন্দ্ৰিণীয়ে তাইৰ মাক-দেউতাকক সকলো কথা খুলি-মেলি ক'লে। বীৰসংগমলৈ চন্দ্ৰিণীৰ দেউতাকে এই সম্বাদ পঠালে। সম্বাদ পোৱামাত্ৰেই, বীৰসংগম চন্দ্ৰিণীহঁতৰ ঘৰ পালেহি, আৰু অতি গোপনে চন্দ্ৰিণীক বিয়া কৰাই, ঘোঁৰাত উঠাই লৈ নিজ দেশলৈ বুলি ৰাওণা হ'ল।

কিন্তু এই গোপন বিবাহৰ বাতৰি চোৰাংচোৱাহঁতৰ হতুৱাই ৰজায়ো পালে। ৰজা জালিম যেন হৈ উঠিল। তেওঁ খঙতে একোনাই হৈ চিঞৰি ক'লে, “কোন ক'ত আছা—এতিয়াই বীৰসংগমক হত্যা কৰি চন্দ্ৰিণীক তাইৰ ঘৰৰপৰা ধৰি আনা। এয়া মোৰ আদেশ।”

আচম্বিতে ৰজাৰ সৈন্যহঁতক দেখা পাই বীৰসংগমে বুজি পালে যে ইমান সৈন্যৰ বিৰুদ্ধে অকলশৰে যুদ্ধ চলাই যোৱা অসম্ভৱ। সেয়েহে, বীৰসংগমে নিজৰ আনাগৈ। ইষ্টদেৱতাক সুঁৱৰিলে।

আৰু চকুৰ পচাৰ নৌ পৰোঁতেই এক

ভয়াবহ আকৃতিৰ আঠ-ঠেঙীয়া শৰভ বীৰসংগমৰ সমুখত উপস্থিত হ'ল। শৰভে বীৰসংগমক এটা আগ্নেয়াস্ত্র দিলে। আৰু ক'লে, "এই অস্ত্ৰেৰে তুমি তোমাৰ শত্ৰু-বিলাকৰ বিৰুদ্ধে যুঁজিবা।"

বীৰসংগমে সেই অস্ত্ৰেৰে ৰজাৰ সৈন্য-হঁতক আক্ৰমণ কৰি পৰ্য্যুদস্ত কৰি পেলালে। কেইটামান সৈন্য মৰিল, কেইটামানে ফৰিংছিটিকা দিলে। ৰজাই নিলগৰপৰা এই দৃশ্য দেখি হতবাক হ'ল।

ৰজাৰ সৈন্যহঁতক পৰাজিত কৰাৰ পাছত বীৰসংগমে শিৱপূজাৰ আয়োজন কৰিলে। ৰজাই শিৱভক্তৰ সাজ-পাৰ পিন্ধি নিজক শিৱভক্ত হিচাপে চিনাকি দি বীৰসংগমৰ ওচৰত থিয় হৈ থাকিল। শিৱ-পূজাৰ অন্তত বীৰসংগমে শিৱক সাষ্টাংগে প্ৰণাম কৰিবলৈ ধৰোঁতেই ৰজাই তৰোৱাল উলিয়াই বীৰসংগমক ঘপিয়ালে। কিন্তু পাছমুহূৰ্ত্ততে ৰজাৰ তৰোৱাল ফুলৰ মালা হৈ বীৰসংগমৰ ডিঙিত ওলমি থাকিল।

ঠিক তেতিয়াই তাত শিৱ ওলালহি, আৰু বীৰসংগমক বৰ খুজিবলৈ ক'লে। বীৰসংগমে শিৱক ক'লে, "মই, মোৰ পত্নী, ৰজা ভাস্কৰ আৰু মোৰ বিবাহত যোগদানকাৰী সকলোটিয়েই যাতে আপোনাৰ সান্নিধ্য লাভ কৰিব পাৰে—তেনে বৰহে মোক লাগে।"

"যিজন ৰজাই তোমাক বধ কৰাৰ চেষ্টা কৰিছিল, তাকো মই সান্নিধ্য দিমনে? তাৰ পাপৰ প্ৰায়শ্চিত্ত হ'ব কেনেকৈ?" শিৱই ক'লে।

বীৰসংগমে ক'লে, "যিগৰাকী ৰজাই শিৱভক্তৰ ৰূপ ধৰি আপোনাৰ দৰ্শন লাভ কৰিলে, তেওঁক আৰু পাপে স্পৰ্শ কৰিব পাৰিবনে?"

এই কথা শুনি, ভাল পাই, শিৱই সকলোটিক লগত লৈ কৈলাসলৈ বুলি ৰাওণা কৰিলে। [অন্ত]

তৃতীয় প্ৰাৰ্থী

বীৰু আছিল জমিদাৰৰ মালী। বীৰু বুঢ়া হ'ল আৰু এদিন জমিদাৰৰপৰা তথা কামৰপৰাও বিদায় মাগিলে। তেতিয়া জমিদাৰে বীৰুক ক'লে, "তোমাৰ ঠাইত মানুহ এজনক বাছি-বিচাৰি দিয়া, যিজন তোমাৰ দৰেই চালাক-চতুৰ হ'ব। নহ'লে তোমাক এৰিব নোৱাৰিম।"

মালীৰ কাম কৰিবলৈ তিনিজন মানুহ আহিল। বীৰু আৰু জমিদাৰে কিবাকিবি কথা পাতিলে। তাৰ পাছত অলপ আঁতৰত থকা এচটা শিললৈ আঙুলিয়াই বুঢ়া মালী বীৰুৱে মালীৰ কাম বিচাৰি অহা তিনিওকো ক'লে, "সৌ শিলচটা তাৰপৰা গুচাই দিয়াচোন।"

শিলচটালৈ চাই তিনিজনৰ মাজত দুজনে একেলগে কৈ উঠিল, "ইমান মস্ত শিলচটা আমি গুচাব নোৱাৰিম।"

তৃতীয় প্ৰাৰ্থীয়ে ক'লে, "ইমান ডাঙৰ শিলচটা ইয়াত আহিলনো কেনেকৈ ?" এই বুলি কৈ, সি শিলাচটা ভৰিৰে ঠেলি চালে।

আৰু লগে লগে শিলচটা বাগৰি তললৈ পৰিল। আচলতে সেইচটা শিল নাছিল, আছিল খেৰ আৰু মাটিৰে সজা, দেখাত শিলহেন কিবা এটা।

বীৰুৱে তৃতীয় প্ৰাৰ্থীৰ বুদ্ধিক শলাগি জমিদাৰক ক'লে, "আপুনি মোৰ ঠাইত এওঁক নিযুক্ত কৰিব পাৰে।"

জমিদাৰে তৎক্ষণাৎ সেই তৃতীয় প্ৰাৰ্থীক মালীৰ কামত মকৰল কৰিলে।

বোকা-ভাওনা

নৰমপুৰ গাঁৰৰপৰা উভতি আহোঁতে ৰাতি ভালেখিনিয়েই হ'ল। বৰষুণ দিয়াৰ কাৰণে এঠাইত বহু পৰলৈ ৰ'বলগীয়া হৈছিল। গাঁৱৰ বাট-পথ বৰ পিছল। আৰু এই আন্ধাৰে-মুন্ধাৰে পিছল বাটেদি গৈ থাকোঁতে শংকৰ পিছলি পৰিলগৈ ডোবা এটাত। ডোবাৰপৰা উঠি আহিবলৈ শংকৰে নেৰা-নেপেৰা চেষ্টা কৰি থাকিল। কিন্তু যিমানে চেষ্টা কৰি থাকিল, সিমানেই ডোবাৰ বোকাত পোত খাই পৰিবলৈ ধৰিলে। তাৰ পাছত, আৰু চেষ্টা নকৰি বোকাৰ ভিতৰত আধা পোত খোৱা অৱস্থাত শংকৰে শ্ৰীবৎসৰ পোৰা মাছটোৰ দৰে থিয় হৈ থাকিল।

ঢলপুৰাতে বাটেদি গৈ থকা মানুহ এজনক দেখা পাই শংকৰে মাতিলে। সেই মানুহজনে শংকৰক ভূত বুলি ভাবি থমক খাই থিয় হ'ল। শংকৰে তাৰ এই অৱস্থাৰ কথা মানুহজনক কৈ, তাক বোকাৰপৰা টানি তুলিবলৈ ক'লে।

মানুহজনে বহু কষ্টেৰে শংকৰৰ বিৰাট দেহাটোক বোকাৰপৰা টানি তুলিলে, কিন্তু লগে লগে নিজেই উফৰি পৰিলগৈ ডোবাৰ বোকাত। তেতিয়া আকৌ শংকৰেহে এই মানুহজনক টানি-আঁজুৰি তুলিবলগীয়া হ'ল। ওচৰে পাঁজৰে পুখুৰী এটাও নাছিল। গতিকে—গোটেই গায়ে-মুখে বোকা লগা অৱস্থাত দুয়ো পুনৰ ৰাওণা হ'ল। কথাই কথাই শংকৰে জানিব পাৰিলে যে মানুহজনৰ নাম মদন। মদনো শংকৰহঁতৰ গাঁৱলৈকেহে যাব।

শংকৰে মদনক সুধিলে, "আমাৰ

মুৰলীধৰ বৰ্মন

যেতিয়া গাঁও পালেহি, তেতিয়াও সাঁজ লগা নাছিল। এনেকৈ বোকাৰে লুতুৰি-পুতুৰি হোৱা অৱস্থাত দেখা পাই এজন বেপাৰীয়ে শংকৰক সুধিলে, "অ'—তুমি—ইমান বোকা লাগিল কেনেকৈ?"

শংকৰে মদনলৈ আঙুলিয়াই ক'লে, "মই নৰমপুৰৰপৰা আহি থাকোঁতে এই মানুহজনক এটা ডোবাৰ বোকাত পোত খাই থকা দেখি তুলি আনিলোঁ। কিন্তু উভাল খাই পৰিলোঁ বোকাত।" এই বুলি কৈ, হো হোৱাই হাঁহি থাকিল।

বেপাৰী মানুহজন গুচি যোৱাৰ পাছত এগৰাকী বৃদ্ধই শংকৰক সুধিলে, "কথানো কিহে বোপা?"

বৃদ্ধৰ প্ৰশ্নৰ উত্তৰত শংকৰে ক'লে, "নৰমপুৰৰপৰা ৰাতিৰ পৰতে ঘৰলৈ উভতি আহোঁতে বৰষুণ দিছিল আৰু আন্ধাৰে-মুন্ধাৰে পিছল খাই এটা ডোবাত বোকাত পোত খাই পৰিছিলোঁগৈ। আজি ঢলপুৰাতে ভাগ্যে এওঁ ওলালহি, আৰু এৱেঁই মোক টানি তুলিলে আৰু নিজেও বোকাৰে লুতুৰি-পুতুৰি হৈ পৰিল।"

আৰু অলপ আগবঢ়াৰ পাছত আন এজনেও শংকৰক একেদৰেই সুধিলে। এই মানুহজনৰ প্ৰশ্নৰ উত্তৰত শংকৰে ক'লে, "ঢলপুৰাতে নৰমপুৰৰপৰা উভতি

গাঁৰত—কাৰ ঘৰলৈ যাবানো?"

"আইজ্ঞা—মই শংকৰ বোলা মানুহ এজনক লগ ধৰিবলৈ গৈ আছোঁ।"

এই কথা শুনি অবাক হৈ শংকৰে ক'লে, "শংকৰৰ লগত তোমাৰ কি প্ৰয়োজন জানিব পাৰোঁনে?"

মদনে ক'লে, "চাওক, সেয়া মোৰ ব্যক্তিগত কথা, আপোনাক ক'ব নোৱাৰিম, বেয়া নাপাব।" তাৰ পাছত মদনে এখন্তেক ৰৈ, পুনৰ সুধিলে, "গাঁৰত শংকৰৰ ঘৰ কোনখিনিত ক'বনে?"

মদনৰ প্ৰশ্নৰ উত্তৰত একো নকৈ শংকৰ মনে মনে থাকিল। সিহঁত দুয়ো

আহোঁতে এখন গৰুৰ গাড়ী বোকাত পৰি থকা দেখিলোঁ। গাৱোৱানে আমাৰ-পৰা সহায় বিচৰাত আৰু তাক সহায় কৰাত আমাৰ এই অৱস্থা!”

এই একেটা ঘটনাৰ বিষয়ে বিভিন্ন মানুহক বিভিন্ন ধৰণে উত্তৰ দিয়াত মদনৰ মনত প্ৰশ্নই মূৰ দাঙি উঠিল। মদনে শংকৰক ক'লে, “বেয়া নাপাব হেৰি—কথাটো ক'ৰেঁই। আপুনি একেটা ঘটনাৰ বিষয়ে বিভিন্নজনক বিভিন্ন কথা কৈছে কেলেই জানিব পাৰোঁনে?”

“তোমাৰ এই প্ৰশ্নৰ উত্তৰ নথকা নহয়, আছে; কিন্তু মই কিয় উত্তৰ দিম তোমাক? তুমি মোক কৈছিলা জানো, শংকৰৰ লগত তোমাৰ কিহৰ প্ৰয়োজন, সেই কথাটো?”

“আগতে মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক, পাছত ময়ো ক'ম।” মদনে ক'লে।

তেতিয়া শংকৰে ক'লে, “ভাল, কওঁ শুনা। এইখন গাঁৱত ময়েই চহকী খেতিয়ক বুলি সকলোৱে জানে, আৰু মানে। এনেহেন মান্যবৰ মানুহজন ডোবাৰ বোকাত পোত খাই পৰিছিল বুলি ক'লে, হাঁহিয়াতৰ পাত্ৰ হ'ব লাগিব, ৰাইজে মস্কৰা মাৰিব। সেয়েহে যাক যেনেকৈ ক'লে হ'ব—তাক তেনেকৈ কৈছোঁ। বছ?” পালানে প্ৰশ্নৰ উত্তৰ?

“কিন্তু ঘটনা-দুৰ্ঘটনা সদায় সকলোতে সকলোটিৰ জীৱনত ঘটিব নিশ্চয় পাৰে।”

মদনে শংকৰক বুজাই ক'লে।

"ঠিক। ঠিকেই। তথাপি—এই ব্যস্ততাৰ যুগত কোনেও এইবোৰ কথাত মূৰ নঘমায়।" শংকৰে ক'লে।

"পিছে—সেই বুঢ়া মানুহজনক সঁচা কথা ক'লে যে—?" মদনে ধৰিলে।

শংকৰে সেপ ঢুকি ক'লে, "সেই বৃদ্ধই সৰুসুৰা কথাত মূৰ নঘমায় বুলিহে সঁচা কথাটো কৈ দিলোঁ। আন দুজনক সঁচা কথা কোৱাহেঁতেন সিহঁতে মোক লৈ ঠাট্টা-মস্কৰা কৰিলেহেঁতেন বুলি নক'লোঁ।"

"এনেবোৰ সৰুসুৰা কথাতো ইমান দ'কৈ ভাবে?" মদনে সুধিলে।

"ওঁ, ভাবোঁ।" শংকৰে গম্ভীৰভাৱে ক'লে, "পিছে—বৃন্দাৱন এৰি মথুৰালৈ আহাঁ। তোমাৰ কথা, তথা মোৰ সেই প্ৰশ্নৰ উত্তৰ এতিয়া কোৱাচোন শুনো।"

মদনে মকমকাই ক'লে, "চাওক, সঁচা কথা ক'বলৈ হ'লে—কাৰ লগত কেনেকৈ' কি কথা কিমানলৈ পাতিব বা নাপাতিব লাগে—মই সঠিক বা বেঠিক বা ঠিকঠাকে নাজানো। কথাৰ চল চাই খেও বা ছেও কেনেকৈ মাৰিব লাগিব—তাৰ কায়দা-কিটিপ-কাটাপ জানিবলৈহে শংকৰক লগ ধৰিবলৈ আহিছিলোঁ। তেওঁৰ বিষয়ে মই আনৰ মুখে বানৰ মুখে বহুতো শুনিলোঁ; কিন্তু তেওঁৰ লগত মোৰ চিনাকিহে নাই—নহ'ল।" এই বুলি কৈ, এখন্তেক ৰৈ, মদনে পুনৰ ক'লে, "মোৰ মনত এটা সন্দেহই মূৰ দাঙি উঠিছে হেৰি—। আপুনিয়েই শংকৰ নহয়তো?"

"নহয়। পিছে—শংকৰৰ সৈতে মোৰ বন্ধুত্ব আছে।" শংকৰে ক'লে।

"হয়নে? অ'—। ভাল। যি কি নহওক, এতিয়া আৰু শংকৰক লগ ধৰাৰ কোনো আৱশ্যক নাই। মোৰ উদ্দেশ্য পুৰণ হৈ গ'ল।" এই বুলি কৈয়েই মদনে তৎক্ষণাৎ ওভোতা বাট ল'লে।



শিলৰ দাগ

প্ৰাচীনকালত চীনদেশত ওৱা চাং নামৰ এক বিৰাট বীৰ আছিল। ওৱা চাঙে সবলৰ অত্যাচাৰৰপৰা দুৰ্বলহঁতক সদায় ৰক্ষা কৰিছিল, অত্যাচাৰিত হৈ অত্যাচাৰীক দণ্ড দিছিল।

এবাৰ ধনু-কাঁড় আৰু তৰোৱাল লৈ ঘোঁৰাত উঠি নগৰলৈ গৈ থাকোঁতে ওৱা চাঙে বাট হেৰুৱালে। তথাপি আগুৱাই গৈ থাকিল বীৰ ওৱা চাঙে। বাটত ক'তো খাজিখোৱা বা ধৰমশালা আদি দেখা নাপাই বীৰ ওৱা চাং এটা আওপুৰণি ঘৰৰ আগত ৰ'ল।

ওৱা চাঙৰ ঘোঁৰাৰ খুৰাৰ শব্দ উঠাত ঘৰৰ দুৱাৰ খুলি এগৰাকী বৃদ্ধা ওলাই আহিল। বৃদ্ধাৰ প্ৰশ্নৰ উত্তৰত বীৰ ওৱা চাঙে ক'লে, "আই, মই বাট ভুল কৰি এই ঠাই পালোঁহি। ৰাতিছোৱা আপোনা-লোকৰ ঘৰত অলপ জিৰণি ল'ব পাৰিমনে আই? মোক সহায় কৰিবনে?"

বৃদ্ধাই অস্বস্তি বোধ কৰি ক'লে, "বোপা, তোমাক শুবলৈ ঠাই দিয়া বা নিদিয়াটো মোৰ ক্ষমতাধীন নহয়।"

"এই ঘৰত পুৰুষ কোনোবা নাইনে? আপুনি অকলেই থাকেনে কি ইয়াত?" বীৰ ওৱা চাঙে বুঢ়ীক সুধিলে।

"মই বোপা—বিধৱা। মোৰ ল'ৰা এটি আছে, সি বেহা-বেপাৰৰ কামত অ'লৈ ত'লৈ ঘূৰি ফুৰে। সি যে কেতিয়া যায় আৰু আৰু কেতিয়া আহে—কোনো ঠিক-ঠিকনা নাই।" বৃদ্ধাই ক'লে।

"আপোনাৰ বোৱাৰী? তেওঁনো ক'ত থাকে?" বীৰ ওৱা চাঙে বুঢ়ীক সুধিলে।

'চীনদেশৰ সাধু'

“বোৰাৰীৰ কথা আৰু নক'বা। তাই একেবাৰে যাক বোলে মৰ্দ্দানা। যদিও জনম লৈছে মাইকী হৈ, তথাপি তাই অকলেই এশ মতাৰ সমান। তাই মন কৰিলে মোক তাইৰ কেঞ্চা আঙুলি-টোৰেও মাৰি পেলাব পাৰিব। অবাবতেই তাইৰ হঠাৎ উগ্ৰ খং উঠে। মই সদায় ভয়ে ভয়ে থাকোঁ। তাইৰ ভয়তেহে—তোমাক ৰাতিটোৰ বাবে আশ্ৰয় দিব পাৰিমনে নাই ক'ব পৰা নাই। হঠাৎ যদি তাই ওলায়হি, আৰু যদি খং উঠে তাইৰ, একেবাৰে তাড়কা ৰাক্ষসী উঠা দিব তাই।” বৃদ্ধাই বীৰ ওৰা চাঙক সকলো কথা ভাঙি-পাতি ক'লে।

শুনি ভিতৰি ভিতৰি ওৰা চাং গৰম হৈ উঠিল। ওৰা চাঙে ভাবিলেঃ বৰ অন্যায় কথা। বৃদ্ধা শাহুৱেকৰ প্ৰতি বোৱাৰীৰ এনে ব্যৱহাৰ অসহ্য। —ওৰা চাঙে বৃদ্ধাক ক'লে, “আপোনাৰ বোৱাৰীক মই এনে উচিত শিক্ষা দিম, যাতে জীৱনতো এনেকুৱা ব্যবহাৰ আৰু নকৰিব। তাই আছে ক'ত?”

অসহায় বৃদ্ধাক সহায় কৰিবলৈ সুযোগ পাই বীৰ ওৰা চাঙে ভালেই পালে। ওৰা চাঙে তেওঁৰ ঘোঁৰাটো অলপ আঁতৰত এজোপা ডাঙৰ গছৰ আঁৰত বান্ধি থৈ, তৰোৱালখন হাতত লৈ বৃদ্ধাৰ ঘৰৰ আগত বৈ থাকিল। এইদৰে বৈ থকা দেখি বৃদ্ধাই ওৰা চাঙক ক'লে, “বোপা, তাইক তুমি একো কৰিব নোৱাৰিবা। তাই যে কি—তুমি ভাবিবই নোৱাৰিবা। জন্তু-জানোৱাৰ মাৰি লৈ আহে। সেইবোৰ বেচিহে আমি কথমপি চলি আছোঁ।”

বীৰ ওৰা চাঙে তৰোৱালখন খাপত ভৰাই ক'লে, “গোটেই জীৱনকাল ধৰি মই অসহায়ক সহায় কৰি আহিছোঁ! কিন্তু তোমাৰ বোৱাৰীয়ে যিহেতু—তোমালোকক খুৱাইছে-বুৱাইছে—বৰ বেছিএকো নকৰোঁ। পিছে—তাইক মই অলপকৈ

উচিত কড়ি দিম আৰু।”

অলপ সময় অন্তত বৃদ্ধাৰ বোৰাৰীজনী আহিল। তাই তাইৰ পিঠিত কঢ়িয়াই অনা বাঘ এটা ঘৰৰ বাৰাণ্ডাত নমাই থৈ বৃদ্ধাক চিঞৰি ক’লে, “হেই বুঢ়ী, চাকিটো লৈ আহচোন, আৰু বাঘটোক টানি টানি ঘৰৰ ভিতৰলৈ লৈ যাহি।”

চাকি হাতত লৈ ঘৰৰ ভিতৰৰপৰা ওলাই আহি, চাকিৰ পোহৰত বাঘ এটাক দেখা পাই বুঢ়ী জিকাৰ খাই উঠিল। বাঘ এটাক দেখি ওৱা চাঙৰ বুকুতো টিপটিপনি উঠিল। ইমান ডাঙৰ বাঘটো যে তাই কেনেকৈ কি জাদুৰে মাৰি আনিব পাৰিলে—ওৱা চাঙৰ বুদ্ধিৰ চৌহদত সেই কথা নোসোমাল।

“হেই বুঢ়ী, ঘোঁৰাটো কাৰনো? ক’ৰ মানুহ?” বোৰাৰীয়ে সুধিলে।

ওৱা চাঙে কেইখোজমান আগুৱাই আহি ক’লে, “ঘোঁৰাটো মোৰ। মই ৰাজধানীলৈ গৈ থাকোঁতে বাট ভুল কৰি এই ঠাই পাইছোঁহি। এই গাঁৱত মাত্র এই ঘৰটোতে চাকিৰ পোহৰ দেখা পাই ইয়াত ৰৈ দিছিলোঁহি। তাৰ পাছত, ইয়াত ৰাতিছোৱাৰ বাবে আশ্ৰয়ৰ অনুমতিলৈ ৰৈ আছোঁ।”

“আপুনি আমাক বেয়া পাইছেই, পাবই। মোৰ শাহুৰেৰাৰ ভদ্রতাজ্ঞান বোলা একো নাই! আলহী এজনক যে বাহিৰত থিয় কৰাই ৰাখিব নাপায়, এইকণ বোধ-বুদ্ধিও তেওঁৰ নাই। তেওঁৰ হৈ মই আপোনাৰ ওচৰত ক্ষমা প্রার্থনা কৰিছোঁ। এই বাঘটোক মাৰিবলৈ মোৰ ঢেৰ সময় লাগিল, সেই দেখিহে আপুনি ইমান সময় ধৰি কষ্ট পালে। আপুনি দয়া কৰি ঘৰৰ ভিতৰলৈ আহক।” বোৰাৰীয়েকে ক’লে।

তাৰ পাছত তাই ৰন্ধা-বঢ়াৰ কামত লাগিল। বাঘৰ মাংস আৰু অন্যান্য আঞ্জা তৃপদমানো ৰান্ধি, ওৱা চাঙক খাবলৈ

দিলে আৰু ক'লে, "আমি নিচেই দুখীয়া। আমাৰ আয়-উপাৰ্জন অতি সামান্য, গতিকে ভালকৈ খোৱা-লোৱাৰ বন্দবস্ত কৰিব নোৱাৰিলোঁ।"

খোৱাৰ অন্তত ওৱা চাঙে বোৱাৰীক ক'লে, "তুমি যথেষ্ট সাহসী, শক্তিমতী, বুদ্ধিমতী। অথচ বয়সিয়ালসকলৈ তোমাৰ শ্ৰদ্ধা বৰ কম। কিয় কোৱাচোন?"

এই কথা শুনিয়েই বৃদ্ধাৰ বোৱাৰীয়েকে কৈ উঠিল, "বুঢ়ীয়ে আপোনাক কিবাকিবি ক'লে, নহয়নে?"

"নহয় নহয়। তেওঁ বিশেষ একো কোৱা নাই। তুমি তোমাৰ শাহুৱেৰাক বৰ পাত্তা নিদিয়া যেন লাগিল মোৰ, সেইদেখিয়েইহে কৈছোঁ।"

বোৱাৰীয়েকে এহাতত চাকি আৰু আনখন হাতেৰে বীৰ ওৱা চাঙক টানি-আঁজুৰি বাহিৰলৈ উলিয়াই আনিলে আৰু ক'লে, "ইয়াত বৈ থাকা, মই তোমাক কথা এটা কওঁ। বৃদ্ধাৰ বোৱাৰীয়েকে এচটা শিলৰ ওপৰত তৰ্জনীৰে ঘঁহি ঘঁহি ক'লে, "প্ৰথম দিনা এই ঘটনা ঘটিছিল, দ্বিতীয় দিনাও এই ঘটনা ঘটিছিল, তৃতীয় দিনাও একে ঘটনা ঘটিছিল। এতিয়া তুমিয়েই কোৱা, দোষ কাৰ? মোৰনে বুঢ়ীৰ?"

ওৱা চাঙে শিলৰ ফলিৰ ওপৰ তিনিটা আঙুলিৰ গভীৰ দাগ দেখি বৃদ্ধাৰ বোৱাৰীয়েকৰ বুকুত থকা গভীৰ ক্ষোভৰ কথা অনুধাৰন কৰিব পাৰিলে। ওৱা চাঙে ক'লে, "তিনিবাৰেই—দোষ তেওঁৰ।"

"বছ, মাত্ৰ এইষাৰহে মই শুনিব খুজিছিলোঁ!" এই বুলি কৈ, তাই ওৱা চাঙৰ বাবে অতি পৰিপাটীকৈ বিছনা পাৰি দিলে।

পাছদিনা ওৱা চাঙে সাৰ পাই ভাবিলে ঃ এইবাৰলৈ বড্ড সাৰণ সাৰিলোঁ। ওৱা চাং ঘোঁৰাত উঠি ঘৰমুৱা হ'ল।

আলাভুলা কথা-কাণ্ড

প্ৰাচীনকালত কোনোবা এখন গাঁৱত তিনিজন ভাই-ককাই আছিল। এই তিনি-জনৰ মাজত সবাতোকৈ সৰুজন আছিল আলাভুলা বিধৰ। বহুতেই তাক বলিয়া বুলি কৈছিল। দেউতাকৰ মৃত্যুৰ পাছত ডাঙৰ দুজনে সকলো সম্পত্তি ভগাই ল'লে আৰু সৰুজনক খালী বাকচ এটা দিলে।

ডাঙৰ দুজনে ভগাই লোৱা বস্তুৰ মাজত বেচিব পৰা বস্তু কিছুমান আছিল। সিহঁতে সেই বস্তুবোৰ বেচিবলৈ হাটলৈ বুলি খোজ ল'লে। সিহঁতক হাটলৈ যোৱা দেখি সৰু মাধৱৰো মন গ'ল হাটলৈ যাবলৈ। সিও এটা বলধ লৈ ওলাল।

মাধৱ বনৰ মাজেদি হাটলৈ গৈ থাকোঁতে এজোপা শুকান গছ দেখা পালে। শুকান গজজোপাত কেৰ্‌কেৰ্‌ মেৰ্‌মেৰ্‌কৈ শব্দ উঠিল। এই শব্দ শুনি আলাভুলা মাধৱে গছজোপাক ক'লে, "তুমি মোৰ এই বলধটো নিবানে কি? কিনিবলৈ হ'লে কমেও একুৰি ৰূপ দিব লাগিব।"

তাৰ কথা শেষ হোৱাৰ লগে লগে শুকান গছজোপাৰপৰা পুনৰ কেৰ্‌কেৰ্‌কৈ শব্দ উঠাত মাধৱে ক'লে, "অ'—টকাখিনি আজি দিব নোৱাৰিবা? ঠিক আছে, কালিলৈ দিবা। এয়া লোৱা বলদটো।"

সি বলধটোক তাতে এৰি থৈ হাটলৈ নগৈ ঘৰলৈ উভতি গ'ল।

হাটৰপৰা উভতি আহি মাধৱৰ ককায়েক দুজনে তাক সুধিলে, "ঐ মাধৱ, বলদটো কি কৰিলি অ'?"

"বিছ টকাত বেচিলোঁ।" মাধৱে ক'লে।

ককায়েক দুজনে অবাক হৈ সুধিলে,

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



"কি কৈছ অ'! টকাখিনি ক'ত?"

"টকা আজি নাপালোঁ, এটা দিন সময় খুজিলে, মই আৰু না কৰিব নোৱাৰিলোঁ।" আলাভুলা মাধৱে ক'লে।

পাছদিনা মাধৱ সেই শুকান গছ-জোপাৰ ওচৰলৈ গ'ল। তেতিয়া গছজোপা বতাহত দুলি আছিল। মাধৱ কাষ চপাৰ লগে লগেই কেৰ্‌কেৰ্‌কৈ শব্দ উঠিল। বলধটোক তাত দেখা নাপাই মাধৱে গছজোপাক ক'লে, "আজি টকাখিনি দিবা বুলি কৈছিলা, দিয়া।"

তাৰ কথা শেষ হোৱাৰ লগে লগেই গছজোপাৰপৰা পুনৰ কেৰ্‌কেৰ্‌কৈ শব্দ উঠাত মাধৱে কৈ উঠিল, "কালিলৈ দিবা বুলি কৈছা? কিন্তু কালিলৈ যদি নিদিয়া তোমাৰ কিন্তু ৰক্ষা নাথাকিব।"

ককায়েক দুজনে টকাৰ কথা সোধাত মাধৱে ক'লে, "কালিলৈ দিব।"

"তই কাৰ ওচৰত বেচিছ ক'চোন?"

"জংগলত থকা শুকান গছ এজোপাৰ ওচৰত বেচিলোঁ।" মাধৱে ক'লে।

"ইয়াকে কয় বলিয়াৰ কাণ্ড!" ককায়েক হঁতে তাক অকথ্য গালি পাৰিলে; কিন্তু মাধৱে গালিবোৰ কাণতো নুতুলিলে।

পাছদিনা ঢলপুৱাতে কুঠাৰ এখন হাতত লৈ মাধৱ জংগললৈ বুলি ওলাল। পোনে পোনেই সেই শুকান গছজোপাৰ ওচৰলৈ গৈ মাধৱে ক'লে, "তুৰন্তে টকা দিয়া, নহ'লে তোমাক কুঠাৰেৰে ঘপিয়াম।"

কিন্তু গছজোপাৰপৰা কেৱল কেৰ্‌কেৰ্‌ মেৰ্‌মেৰ্‌ শব্দহে উঠিল।

"সেইবোৰ অজুহাত মই শুনিবলৈ নিবিচাৰোঁ। আৰু কোনো ওজৰ-আপত্তি মই নুশুনো। আজি দিবই লাগিব, নহ'লে তোমাৰ শেষ।"

গছজোপাৰপৰা পুনৰ কেৰ্‌কেৰ্‌কৈ শব্দ উঠিল, মাধৱেও কুঠাৰেৰে গছজোপাৰ গুৰিত ঘাপ মাৰিলে আৰু গছজোপা সশব্দে বাগৰি পৰিল। কেৱল শুকান



বুলিয়েই নহয়, গছজোপাৰ গুৰিৰ ফালে আছিল ফোপোলা, আৰু তলত এটা বিৰাট গাঁত। সেয়েহে কুঠাৰেৰে ঘপিউৱাৰ লগে লগে গছজোপা বাগৰি পৰিছিল।

কিন্তু গছজোপা বাগৰি পৰাৰ পাছত গাঁতৰ ভিতৰত অসংখ্য সোণৰ মুদ্ৰা দেখা পাই আলাভুলা মাধৱৰো চকু ঢেলুকা-ঢেলুক হৈ গ'ল। যি কি নহওক, মাধৱে সোণৰ মুদ্ৰাখিনি জেপত ভৰাই লৈ ঘৰলৈ উভতি গ'ল।

ইমান সোণৰ মুদ্ৰা দেখা পাই ককায়েক-হঁতৰ বঁতিয়াওঁ বঁতিয়াওঁ যেন লাগিল। সিহঁতে মাধৱক কেনেবাকৈ সুধিলে, "ইমান সোণৰ মুদ্ৰা ক'ত পালি?"

মাধৱে সকলো কথা ভাঙি-পাতি ক'লে সিহঁতক। আৰু লগে লগে ডাঙৰ আৰু মাজু সোণ আনিবলৈ ওলাল।

জংগললৈ গৈ, সোণৰ মুদ্ৰা, আৰু চেকুৰা-চেকুৰ সোণ জেপত, খোচনিত ভৰাই, চুৰিয়াত বান্ধি, মোনাত ভৰাই লৈ ঘৰমুৱা হ'ল। বাটত সিহঁত দুটাই মাধৱক ক'লে, "শুন, ভাইটি, আমাৰ ওচৰত সোণ থকাৰ কথা কাকো নক'বি। কৈছ যদি মৰিছ। আমিও মৰিম।"

"নাই নাইঃ, নকওঁ দে।" আলাভুলাই ডাঠি ক'লে ককায়েক দুজনক।

জংগল পাৰ হৈ গাঁৱৰ বাট লওঁতেই গাঁৱৰ পুৰোহিতৰ লগত দেখাদেখি। পুৰোহিতে সিহঁতক সুধিলে, "ইমান গধুৰ—বোপাহঁতে কিনো কঢ়িয়াই নিছা?"

"আজ্ঞা—হেৰি আৰু—ভেণ্ডী—মানে বঙালী জিকা।" সিহঁতে ক'লে।

আলাভুলা মাধৱে টপৰাই কৈ উঠিল, "এ—নহয়, সোণহে। যদি বিশ্বাস হোৱা নাই, চাওকহি।" সি নিজৰ জেপৰপৰা সোণৰ মুদ্ৰা উলিয়াই সেই পুৰোহিতক দেখুৱালে। ইমান সোণ দেখি বুঢ়া পুৰোহিত মূৰ্ছকঁছ যাওঁ যাওঁ হ'ল। কিন্তু বহু কষ্টেৰে নিজক চম্ভালি লৈ তিনিও-

জনৰপৰা জোখে-জোখাৰে সোণ খুজি ল'লে তেওঁ।

"কথানো কি! তুমি কোনহে সোণৰ ভাগীদাৰটো!" এই বুলি কৈয়েই মাধৱে পুৰোহিতক কুঠাৰেৰে একেঘাপে ছুটুকুৰা কৰি পেলালে।

"সৰ্বনাশ! তই এয়া কি কৰিলি!" ককায়েকহঁতে আৰ্তনাদ কৰি উঠিল। কিন্তু মৃত পুৰোহিতক গাঁত খান্দি পুতি থ'লে।

ঘৰ পাই মাধৱৰ ককায়েক দুজনে ভাবিলে: মাধৱে যদি ৰাইজক পুৰোহিতৰ কথা কৈ দিয়ে—তেনেহ'লে সৰ্বনাশ। সেইদেখি সিহঁতে ৰাতিৰ এন্ধাৰত ওলাই পুৰোহিতৰ মৃতদেহটো সেই গাঁতৰপৰা উলিয়াই নি আন এটা গাঁত খান্দি পুতি থ'লে, আৰু সেই গাঁতটোত এটা পঠা কাটি ভৰাই থ'লে।

কেইদিনমানৰ পাছত পুৰোহিতক বহুতেই বিচাৰি থাকিল। মাধৱে ক'লে, "পুৰোহিতক মই মাৰি পেলাইছোঁ, আৰু মোৰ ককায়েক দুজনে তাক গাঁত খান্দি পুতি থ'লে। বিশ্বাস হোৱা নাই যদি, মোৰ লগত ব'লা, মই দেখুৱাই দিম।"

ভালেমান মানুহ মাধৱৰ পিছে পিছে গ'ল। মাধৱে গাঁতৰ মাটি গুচাই মানুহখিনিক সুধিলে, "পুৰোহিতৰ দাড়ি-মোচ নাছিলনে?"

"ওঁ, আছিল।" সকলোটিয়ে ক'লে।

মাধৱে পঠাৰ ডাড়ি ছিঙি আনি ৰাইজক দেখুৱাই পুনৰ সুধিলে, "পুৰোহিতৰ শিং নাছিলনে?" এই বুলি কৈয়েই সি শিঙৰে সৈতে পঠাৰ মূৰটো গাঁতৰপৰা তুলি আনি ৰাইজক দেখুৱালে।

তেতিয়া ৰাইজে কৈ থাকিল, "ইয়াকে বোলে পাগল। কথাতে কয়—পাগলে নকয় কি, ছাগলে নাখায় কি।" ৰাইজে কিয় যে তাক বিশ্বাস নকৰিলে, আলাভোলা মাধৱে আজিও কথাটো বুজা নাই।

আমাৰ পশু-পক্ষী



খোঁটৰ চোট

বছৰি ৪০০০ মান মানুহক সাপে খুটি মাৰে। বাৰ্মাত অৰ্থাৎ মান দেশতহে সাপৰ খোঁটত মৃত্যুৰ সংখ্যা পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি।

অক্ট'পাছৰ শক্তি

সামুদ্ৰিক জীৱ অক্ট'পাছৰ শক্তি যে কিমান বেছি! সি তাৰ ২০০ প্ৰত্যংগেৰে ৩১৮ কিলোগ্ৰাম ওজন টানি লৈ যাব পাৰে!



আটাইতকৈ ডাঙৰ হৰিণা

সাত ফুট আঠ ইঞ্চি ওখ আৰু ৮১৭ কিলোগ্ৰাম ওজন থকা হৰিণা এটাক পৃথিৱীৰ আটাইতকৈ ডাঙৰ হৰিণা হিচাপে বৰ্ণোৱা হৈছে। এই হৰিণাটোৰ শিং ৭৮'৫ ইঞ্চি ওখ।

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে!
सुपर
रिन
सफ़ेदी की चमकार
चुपाৰ ৰিনৰ শুভ্ৰতাৰ চমক— আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা!
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 97 2016 AS

ফ'টো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ নভেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ ছেপ্‌টেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আনন্দ লগৰী — দ্বিতীয় ফটো : জাগ্ৰত প্ৰহৰী

পুৰস্কাৰ পাওঁতা : গৌতম গোস্বামী, পাটাছাৰকুছি বিদ্যাপীঠ, পাটাছাৰকুছি, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

A BRIGHT NEW TRADITION IS BUILT
by
THE READERS OF

THE HERITAGE



The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE.

* THE HERITAGE reveals the fourth dimension of life to you—through series like "*The Other Experience*" and "Fables and Fantasies for Adults".

* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, *novels* and poems.

* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.

* THE HERITAGE takes you to a tour of the *Little-Known India*.

FEATURES AND FICTION FOR TODAY AND TOMORROW

“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো…
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা…মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি…মোৰ গালত এয়া কিহৰ দাগ…ইযে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত…নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সোয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে শালমন পৰিষ্কাৰ কৰাত সহায় কৰে আৰু ই বিয়পি পৰাটোও ৰোধ কৰে।

OBM/5687/AS

ক্লিয়াৰেচিল
শালমনৰ বিশেষগুণ যি সঁচাকৈয়ে প্ৰভাৱশালী


চকোলেটৰ মজা ভৰা সকলোৰে মন হৰা!
nutrine
Chocolate Eclairs
more milk
more butter
more chocolate
কেৰামেল খোলাৰে ঢকা,
মাজত চকোলেট
চুইটে প্ৰতি, দুগুণ তৃপ্তি
nutrine
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চুইট
নিউট্ৰিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ.